গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া গুৰু পাঠ্যক্ৰমৰ ৬০৫৬ প্ৰশ্নকাকতৰ বাবে প্ৰস্তুত কৰা

# ক্ষুদ্ৰ গৱেষণা পত্ৰ

## বিষয় ঃ অসমীয়া সমাজৰ জন্ম, বিবাহ, মৃত্যুৰ লোকাচাৰ আৰু বিশ্বায়নৰ প্ৰভাৱ ঃ দলুৱা গাঁৱৰ বিশেষ উল্লিখনসহ

Presented 04/06/2024


তত্ত্বাৱধায়িকা
ড° হীৰামণি তালুকদাৰ
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী
নাম ঃ ডলি কলিতা
শ্ৰেণী ঃ ষষ্ঠ ষান্মাসিক
ৰোল নং- UA-২১১-১৯৩-০০৯৬
পঞ্জীয়ন নং- ২১০৮৬৪৩৪


মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

# পাতনি

ইং 2024 চনৰ ষষ্ঠ ষাণ্মাসিকৰ অসমীয়াৰ গুৰু বিষয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিশেষ স্থান, পৰিচয়, জনগোষ্ঠী, সংস্কৃতি, লোক সংস্কৃতি, লোকাচাৰ আদিৰ বিষয়ে ক্ষেত্ৰ অধ্যয়ন কৰি এখনি গৱেষণা পত্ৰ প্ৰস্তুত কৰিব দিয়া হৈছে। সেই উদ্দেশ্য আগত ৰাখি দলুৱা গাঁৱৰ চম্ বিৱৰণৰ লগতে অসমীয়া সমাজৰ প্ৰধানঃ বিবাহ, মৃতকৰ লোকাচাৰ সমূহৰ বিষয়ে এটি ক্ষুদ্ৰ গৱেষণা পত্ৰ প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰিছোঁ।

আদিৰে পৰা এই লোকাচাৰ সমূহৰ বিষয়ে বহু কথা কিতাপে-পত্ৰই পাই আহিছোঁ আৰু গাওঁৰ পৰিৱেশতো আমি প্ৰত্যক্ষ দেখিবলৈ পাইছোঁ। সেয়ে এই পাতখনত কিছু কিতাপৰ পৰা, কিছু ব্যক্তিৰ পৰা আৰু কিছু নিজে জনা কথা প্ৰকাশ কৰিছোঁ।

# কৃতজ্ঞতা স্বীকাৰ:

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষাণ্মাসিকৰ অসমীয়াৰ স্তৰ পাঠ্যক্ৰমত গৱেষণা পত্ৰ প্ৰস্তুত কৰা কাৰ্যটি অন্তৰ্ভুক্ত কৰিছে। এই সিদ্ধান্ত গৱেষণা অন্তৰ্ভুক্তিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে ধন্যবাদৰ পাত্ৰ হিচাপে দাঙি ধৰিছে। কিয়নো গৱেষণাই কোনো সমস্যাৰ সমাধান কৰি এক আদৰ্শ প্ৰতিষ্ঠা কৰে। এই আদৰ্শই সমাজৰ অগ্ৰগতিত সহায় কৰে। মনক বিভ্ৰান্ত কৰিব খোজা বিশৃংখলতাৰ মাজৰ পৰা নিজৰ বাবে সত্যক বিচাৰি লব পাৰি গৱেষণাৰ দ্বাৰা।


অসমীয়া বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ নৱীন পাঠ্যক্ৰমৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে 'অসমীয়া সমাজৰ জন্ম, বিবাহ, মৃত্যুৰ লোকাচাৰ আৰু বিশ্বাসৰ প্ৰভাৱ: চাংগুৰা গাঁৱৰ বিশেষ উল্লেখনসহ' শীৰ্ষক বিষয়টিৰ বাচনি কৰি লোৱা হৈছে। এই ক্ষেত্ৰ অধ্যয়নৰ পৰা নানা ধৰণৰ অভিজ্ঞতা

লাভ কৰিবলৈ সক্ষম হৈছোঁ। তেওঁৰ অধ্যয়নৰ বাবে বিষয় নিৰ্বাচনৰ লগতে প্ৰয়োজনীয় সমল আৰু তথ্য আহৰণত সহায় কৰা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° হীৰামণি তালুকদাৰ বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁৰ ভিত্তিৰ অধ্যয়নৰ বিভিন্ন দিশত তেখেতে দিহা পৰামৰ্শ আগবঢ়োৱাৰ উপৰিও তত্ত্বাৱধায়িকাৰ দায়িত্ব বহন কৰিছে। এই গৱেষণা কাৰ্য্যৰ আৰম্ভণিৰ পৰা শেষলৈকে সকলো বাটত প্ৰত্যক্ষ ভাৱে সহায় কৰাৰ উপৰিও উৎসাহ আৰু অনুপ্ৰেৰণাৰে তেখেতে আমাক কৃতাৰ্থ কৰিছে। ইয়াৰ বাবে তেখেতৰ ওচৰত চিৰঋণী হৈ থাকিম। এই অধ্যয়নত বিশেষ ভাৱে দিহা পৰামৰ্শ আগবঢ়োৱা আমাৰ বিভাগৰ ছাৰ বাইদেউ সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভিন্ন দিহা পৰামৰ্শ দিয়াৰ বাবে আমাৰ জুনবাৰী অধ্যাপিকা ড° অনিমা দুৱৰা বাইদেউলৈও মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ক্ষুদ্ৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহায় লোৱা বিভিন্ন গ্ৰন্থৰ লেখক, সম্পাদক, বিভিন্ন আলোচনী আৰু আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটোলৈ। এই প্ৰকল্প টি প্ৰস্তুত কৰোঁতে যেওঁক সহায় বিভিন্ন ৰেন বিভিন্ন সময়ত সহায় কৰাৰ উপৰিও যথেষ্ট অনুপ্ৰেৰণা দিয়াত মই তেওঁলৈকৈ অন্তৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তাৰিখ: ০৩/০৬/২০২৪

# মানচিত্র



NALBARI
DISTRICT
BAKSA
To Tihu Chowk
Dhamdhama
NALBARI
To Rangia
Tihu
Bangaon
KAMRUP
Belsor
Jagar
Bijalighat
Mukalmua
Brahmaputra
LEGEND
National Highway
Major Road
Railway
District Boundary
State Boundary
River
District HQ
Other Town
Major Town
Map not to Scale
Copyright © 2012 www.mapsofindia.com
(Updated on 13th July 2012)

: সূচীপত্ৰ :


| বিষয় | পৃষ্ঠা নং |
|---|---|
| পাতনি | |
| কৃতজ্ঞতা স্বীকাৰ | |
| মানচিত্ৰ | |
| প্ৰথম অধ্যায় : | ১—৮ |
| ১.০০ অৱতৰণিকা | |
| ১.১ অধ্যয়নৰ বিষয়বস্তু | |
| ১.2 অধ্যয়নৰ ক্ষেত্ৰ | |
| ১.৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য | |
| ১.৪ অধ্যয়নৰ প্ৰয়োজনীয়তা | |
| ১.৫ পূৰ্বীকৃত অধ্যয়ন | |
| ১.৬ অধ্যয়নৰ পদ্ধতি | |
| ১.৭ সমস্যা | |
| দ্বিতীয় অধ্যায় : | ৯—৩৯ |
| ২.০০ গাঁৱৰ পৰিচয় | ৯—১৬ |
| ২.১ নলবাৰী জিলাৰ পৰিচয় | ১৭—২৭ |
| ২.২ গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মাটিকালি | ২৮ |
| ২.৩ গাঁৱৰ জনসংখ্যা | ২৯—৩০ |
| ২৪ গাঁৱৰ জীৱিকা | ৩১—৩৩ |
| ২.৫ গাঁৱৰ ধৰ্ম | ৩৪ |
| ২.৬ গাঁৱৰ প্ৰসিদ্ধ স্থান | ৩৫—৩৯ |

তৃতীয় অধ্যায়ঃ ৪০—৫২
৩.০ সংস্কৃতিৰ স্বৰূপ ৪০—৪২
৩.১ সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন ৪৩—৪৭
৩.২ অভিজাত সংস্কৃতি ৪৮
৩.৩ লোক সংস্কৃতি ৪৯—৫১
৩.৪ জনজাতীয় সংস্কৃতি ৫২

চতুৰ্থ অধ্যায়ঃ ৫৩—৬৪
৪.০ লোকাচাৰ ৫৩
৪.১ লোকাচাৰৰ সংজ্ঞা আৰু স্বৰূপ ৫৪—৫৫
৪.২ লোকাচাৰৰ সৈতে আৰ্থসামাজিক আৰু বৈজ্ঞানিক সম্পৰ্ক ৫৬—৫৯
৪.৩ লোকাচাৰৰ প্ৰকাৰভেদ ৬০—৬১
৪.৪ জন্ম, মৃত্যু আৰু বিবাহৰ গুৰুত্ব ৬২—৬৪

পঞ্চম অধ্যায়ঃ ৬৫—৭৫
৫.০ জন্ম সম্পৰ্কীয় লোকাচাৰ ৬৫
৫.১ গৰ্ভৰক্ষাৰ লোকাচাৰ ৬৫—৬৭
৫.২ প্ৰসৱৰ সময়ৰ লোকাচাৰ ৬৭—৬৮
৫.৩ প্ৰসৱৰ পাছৰ লোকাচাৰ ৬৯

| | |
|---|---|
| ৫.৩ অন্নপ্ৰাশন | ৭০ |
| ৫.৪ জন্ম সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ | ৭১—৭৫ |
| ষষ্ঠ অধ্যায়ঃ | ৭৬—৯১ |
| ৬.০ বিবাহ সম্পৰ্কীয় লোকাচাৰ | ৭৬ |
| ৬.১ জোৰোণৰ লোকাচাৰ | ৭৭—৭৯ |
| ৬.২ বিয়াৰ দিনটোৰ লোকাচাৰ | ৮০—৮৩ |
| ৬.৩ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ | ৮৪—৯১ |
| সপ্তম অধ্যায়ঃ | ৯২—১০০ |
| ৭.০ মৃত্যু সম্পৰ্কীয় লোকাচাৰ | ৯২ |
| ৭.১ দাহনৰ সময়ৰ লোকাচাৰ | ৯৩—৯৪ |
| ৭.২ দাহনৰ পাছৰ লোকাচাৰ | ৯৫ |
| ৭.৩ মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ | ৯৬—১০০ |
| ৮.০ উপসংহাৰ | |
| গ্ৰন্থপঞ্জী | |
| সংবাদদাতা | |
| আলোকচিত্ৰ | |

# প্রথম অধ্যায়

# অৱতৰণিকা

সংস্কৃতি এটা জাতিৰ জীৱন ধাৰা। সংস্কৃতিৰ গতি ধেঁৰাতি নৈৰ দৰে চিৰপ্ৰবাহমান। সময়ৰ সোঁতত এই গতিত নতুনৰ সংযোজন হয় আৰু বহু দিশ বাদ পৰে। প্ৰকৃতাৰ্থত এৰা ধৰাৰ মাজেৰেহে সংস্কৃতিৰ ধৰ্ম বৰ্তি থাকে। কোনো এটা অঞ্চল বা কোনো এখন ঠাইৰ সংস্কৃতি গঢ় লোৱাৰ ক্ষেত্ৰত সেই অঞ্চলটোৰ প্ৰাকৃতিক, ভৌগোলিক, অৰ্থনৈতিক, সামাজিক আদি প্ৰতিটো দিশৰে গুৰুত্বপূৰ্ণ ভূমিকা থাকে। এইবোৰৰ ওপৰত ভিত্তি কৰি সংস্কৃতিয়ে নিজা নিজা ৰূপ পৰিগ্ৰহণ কৰে। ফলস্বৰূপে পৃথিৱীৰ বিভিন্ন ঠাইৰ প্ৰাকৃতিক, ভৌগোলিক, অৰ্থনৈতিক, সামাজিক আদি দিশবোৰ ভিন্ন হোৱাৰ বাবে প্ৰত্যেক ঠাইৰে সংস্কৃতিৰ মাজত বৈচিত্ৰ্য লক্ষ্য কৰা যায়। এই প্ৰকল্পটোত অসমৰ সংস্কৃতিৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰেক্ষাপট সম্পৰ্কে বিকাশ হৈছে।

উৎসৱ শব্দটোৰ অৰ্থ হৈছে মানুহক উৎসাহিত কৰা, মানুহৰ প্ৰতি মানুহক শ্ৰদ্ধাশীল কৰি তোলা, উদ্বুদ্ধ কৰি তোলা। এজন ব্যক্তিৰ জীৱনত প্ৰধানকৈ তিনিটা উৎসৱ উদযাপন কৰা হয়। সেইকেইটা হ'ল — জন্ম, বিবাহ আৰু মৃত্যু। এই তিনিটা উৎসৱ সকলো সমাজতে নানা নীতি-নিয়ম, আচাৰ-পদ্ধতি আদিৰ মাজেৰে সম্পন্ন হয়। অসমীয়া সমাজত জন্মৰ লোকাচাৰটো উৎসৱ হিচাপেই আয়োজন কৰা দেখা যায়। বিভিন্ন ধৰ্মীয় অনুষ্ঠান, আচাৰ-নীতিৰে এই জন্মৰ লোকাচাৰ সুন্দৰভাৱে পালন কৰা হয়। শিশুটো গৰ্ভস্থ হোৱাৰ পৰা জন্ম হোৱালৈকে বিভিন্ন বিশ্বাস - অন্ধবিশ্বাস আদি ৰীতি - নীতিৰ মাজেৰে অনুষ্ঠানটো পালন কৰা হয়। ইয়ো এক উৎসৱত পৰিণত হয়। কোনো নিৰ্দিষ্ট সময়ত এখন সমাজক সাক্ষী কৰি উৎসৱৰ নিচিনাকৈ এখন বিবাহ আয়োজন কৰা হয়। বিবাহক এক আনন্দময়ী উৎসৱ বুলিও ক'ব পাৰি। সাধাৰণ অৰ্থত ক'ব পাৰি

সমাৰোহ হ'ত- পাৰিয়ালৰ লগতে- এখন
[illegible]- ৰং- ধেমালি কৰে। ঠিক সেইদৰে-
[illegible]ৰ লগত পালনীয় কিছুমান- শাস্ত্ৰ বিহিত-
[illegible]-নিয়ম- বা- লোকাচাৰ- নাৱৰীয়া- সমূহ
[illegible] আছিল। কিছুমান নীতি- নিয়ম- আৰো-
[illegible]বিশ্বাস- বা- অন্ধবিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত,
[illegible]দৰে এখন সমাজ- সংস্কৃতিৰ- লগতে-
[illegible] উৎসৱ অনুষ্ঠানৰ- লগত- জড়িত হৈ-
[illegible]।

## ১.১ অধ্যয়নৰ বিষয়বস্তুঃ

অধ্যয়নৰ বিষয়বস্তু হিচাপে অসমৰ গাঁওখনৰ লগতে জন্ম, বিবাহ, মৃত্যুৰ লোকাচাৰ সম্পৰ্কে বাছনি কৰি লোৱা হৈছে। এই গাঁওখনত জন্ম গ্ৰহণ কৰি আহিছে পাৰা বিভিন্ন দিশৰ বিষয়ে বিভিন্ন ধৰণে তথ্য আহৰণ কৰি আহিছোঁ। এই গাঁওখনৰ অধিকাংশ লোকেই হিন্দু ধৰ্মত জন্ম গ্ৰহণ কৰা। বিবাহৰ ক্ষেত্ৰতো এই গাঁওখনত বিভিন্ন ধৰণৰ পৌৰাণিক নীতি-নিয়মৰ লগতে আধুনিকতাৰো সন্মিলন হৈ আহিছে। কিন্তু সেইদৰে মৃত্যুৰ ক্ষেত্ৰতো সেই একে নীতি-নিয়মে চলি আহিছে।

## ১.২ অধ্যয়নৰ ক্ষেত্ৰঃ

নলবাৰী জিলাৰ অন্তৰ্গত এখন গাঁও হৈছে দলুৰা গাঁও। আমাৰ এই গাঁওখনৰ অধ্যয়নৰ ক্ষেত্ৰত যদি চাব পৰা হয়, তেতিয়া এক সুন্দৰ বাতাবৰণ দেখা যায়। কিয়নো দলুৰা গাঁওখনৰ মাজেৰে ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথটি গৈছে। তাৰ উপৰি গাঁওখনত স্থাপন কৰা হৰিমন্দিৰটোৱেই এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। গাঁওখনত থকা পুখুৰী, খেতিপথাৰ, শিৱমন্দিৰ আদিয়ে গাঁওখনক এক মনোমোহা ৰূপত অংকন কৰিছে।

১.৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

এই বিষয়টো উপস্থাপন কৰাৰ একমাত্ৰ লক্ষ্য হ'ল এই গাঁৱৰ বাসিন্দা হিচাপে মোৰ মাতৃভূমিত সম্পৰ্কে গাওঁখনি গভীৰভাৱে চিনি পাওঁ। গাঁৱৰ মানুহবোৰৰ লোকাচাৰ আৰু সংস্কৃতিৰ জ্ঞান লাভ কৰাত আমি পিছ পৰি নৰওঁ। এই উদ্দেশ্য মনত ৰাখিয়েই ইয়ানবোৰৰ বিষয়বস্তু বিশদভাৱে আলোচনা কৰিবলৈ আগবাঢ়িছোঁ।

১.৪ অধ্যয়নৰ প্ৰয়োজনীয়তাঃ

সময়ৰ সোঁতত পৰিবৰ্তনশীল জগত অগ্ৰসৰ হোৱা জন্ম, বিবাহ, মৃত্যুৰ লোকাচাৰ, সংস্কৃতি আদি গৱেষণাৰ পাটত তুলনামূলক অধ্যয়ন সকলোতকৈ প্ৰয়োজন। অসমৰ গাঁৱে-ভূঞে, চহৰ-নগৰে, পাহাৰ-ভৈয়ামে যুগ যুগ ধৰি জনসাধাৰণৰ মাজত বিভিন্ন লোকাচাৰ প্ৰচলন হৈ আহিছে। পৰম্পৰাগত ভাৱে চলি থকা এই লোকাচাৰসমূহ জন্মৰ লগত কিছুমান নীতি-নিয়ম, বৈবাহিক ঘটনাৰ লগত জড়িত কিছুমান আচাৰ-নীতি। আন কিছুমান মৃত্যুৰ লগত জড়িত আচাৰ-নীতি। লোকাচাৰৰ সমূহত নাৰী-পুৰুষ উভয়ৰে প্ৰাধান্য দেখা যায়। আদিৰ পৰা

[illegible] এই লোকাচাৰ সমূহ পালন কৰে কিছুমান নীতি-নিয়ম বৈদিক প্ৰথাৰ আহৰি। সেয়ে প্ৰস্তাৱিত গৱেষণাৰ বিষয়টি এক বিস্তৃত দিশৰ অধ্যয়ন কৰাৰ প্ৰয়োজন আছে।

২.৩ পূৰ্বকৃত অধ্যয়ন:

পূৰ্বতে দলুৱা মাঁওমনৰ বিষয়ে দুই এজন ব্যক্তিয়ে অধ্যয়ন কৰি স্মৃতি গ্ৰন্থ, আলোচনী আদিত প্ৰকাশ কৰিছে। তাৰ ভিতৰত পুলেন মজুমদাৰৰ দ্বাৰা সম্পাদনা কৰা স্মৃতিগ্ৰন্থ 'সাতজনা' আৰু 'অমৃত সন্ধানত' উল্লেখ থকা দেখা যায় বা ইয়াৰ বিষয়ে আলোচনা কৰি বৰ্ণনা দাঙি ধৰা দেখা গৈছে।

## অধ্যয়নৰ পদ্ধতি:

আমাৰ এই গৱেষণা পত্ৰখন বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিত লিখি উলিওৱা হৈছে। এই গৱেষণা পত্ৰখন তৈয়াৰ কৰিবৰ বাবে আমি সময়ত বিভিন্ন কথা সংগ্ৰহৰ বাবে ক্ষেত্ৰ অধ্যয়নলৈ যোৱা হৈছে। সংগ্ৰহ কৰিবৰ বাবে পুথিভঁৰালৰ বিভিন্ন কিতাপৰ সহায় লোৱা হৈছে। ইয়াৰ উপৰি আমি এই গৱেষণা পত্ৰখনৰ বাবে ডুবৰীয়া আৰু কাষৰীয়া অঞ্চলৰ লোকৰ দাৰা আমাৰ গাঁৱৰ বিভিন্ন লোকাচাৰৰ বিষয়ে সংগ্ৰহ কৰা হৈছে। লগতে ইণ্টাৰনেটৰ পৰাও বিভিন্ন কথা বা তথ্য লোৱা হৈছে।

## অধ্যায়ঃ

(ক) নলবাৰী জিলাৰ পৰিচয়ৰ লগতে অসমৰ [illegible]নৰ মূলসূত্ৰ আলোচনা।

(খ) সংস্কৃতিৰ ধাৰণা, সংজ্ঞা আদিৰ চমু আলোচনা।

(গ) লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিক সম্পৰ্কৰ বিশ্লেষণ।

(ঘ) জন্ম, বিবাহ আৰু মৃত্যুৰ গুৰুত্ব।

(ঙ) জন্ম, বিবাহ, মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তনৰ লগতে বিশ্বাসৰ প্ৰভাৱৰ বিষয়ে অৱতাৰণা কৰা হ'ব।

# দ্বিতীয় অধ্যায়

১.৩ গাঁৱৰ পৰিচয় :

'নৱনা কথা নগৰৰ ভেৰ্যুল' কৰিলে যাওঁতে সাধাৰণতে বুৰঞ্জী বা ...হাসিক বুজোৱা। কিন্তু দৰবাৰত প্ৰতিখন দেশৰ ... অঞ্চলৰ লগতে প্ৰতিখন গাওঁৰ এখন ... আখ্যান-উপাখ্যান নাইবা ঐতিহাসিক ...ৰ উপৰি লোক প্ৰবাদৰ মাজেৰেও ইতিবৃত্ত ... যায়। প্ৰসিদ্ধই হওক নাইবা অপ্ৰসিদ্ধই ... প্ৰতিটো অঞ্চল বা ঠাইৰ ইতিবৃত্তৰ আধাৰত ...ৰ উৎপত্তি হোৱা দেখা যায়। আদিকথাৰ ওপৰত ... হোৱা নামকৰণত নিশ্চয় গুৰুত্ব বাঢ়ে। ... এই ঐতিহ্য বহন কৰা নামৰ গুণ ... সাদৃশ্য দেখা যায় বাস্তৱতাৰ ওপৰত। ...ৰ যুগে যুগে প্ৰচলিত সাধুকথা যেন ... কাহিনীও বাস্তৱিকতাৰ মাজত সোমাই ... যেন লাগে। এনেকুৱা প্ৰবাদ বা লোক ... প্ৰায় অঞ্চলতে শুনা যায়। তথ্য ভিত্তিত ... হোৱা নামৰ এনে ৰহস্য উদ্ঘাটন ...টো সিদ্ধৰে সমাজ সাৰ্থ্য তেনেহ'লে তথ্য ...বিহীন নামৰ পাতনি মেলা সম্ভৱ হয়।

অসমৰ ইতিহাসৰ পাত মেলি ... দেখা যায় অসমৰ আদি পুৰুষ বুলি কওঁতে সিদ্ধৰে দানৱ, কিৰাট আৰু অসুৰ আদি পুৰণি বংশাৱলীৰ সকলোকে বুজায় আৰু

ইতিহাসৰ পাত মেলি পোৱা যায় ৰজা মহীৰঙ্গৰ উত্থান পতন। দানৱৰ পাছত কিৰাত কিৰাতৰ পিছত অসুৰ বংশী ৰজাই পুৰণি অসমত ৰাজত্ব কৰিছিল। ইয়াৰ পিছত ক্ৰমে ভৌমা বংশী, দৈত্য বংশী ৰজাই ৰাজত্ব কৰিছিল। এই সময়ছোৱাৰ ভিতৰতে আৰ্য আৰু মংগোলীয় সভ্যতাৰ বিকাশ ঘটে। এই দুই গোষ্ঠীৰ বিকাশে পুৰণি অসমৰ পৰিবৰ্তনৰ ক্ষেত্ৰত নতুন মোৰ লয়। মহাভাৰত ৰামায়ণৰ যুগতে অসমৰ দেশৰ নাম আছিল কামৰূপ। কামৰূপৰ ৰজা মহাৰজা সকলৰ ভিতৰত নৰকাসুৰ, ভগদত্ত আদিও ৰজা সকল আছিল প্ৰবল। এওঁলোকৰ ৰাজকীৰ্তিৰ কথা কামৰূপতে সীমাবদ্ধ নাথাকি গোটেই ভাৰত বৰ্ষতেই বিস্তাৰিত হৈছিল। ইয়াৰ পিছত কামৰূপত বহু ৰজা - মহাৰজাই ৰাজত্ব কৰিছিল যদিও আহোম যুগৰ পাতনিয়ে কামৰূপ নামৰ সলনি আহোম সকলৰ ৰাজ্য বিস্তাৰেই নহয় এওঁলোকৰ দিনতে ইতিহাস বা বুৰঞ্জী লিখাৰ প্ৰতিও নতুন দিশ দেখা যায়।

অতীতৰ কাহিনী চকুতে

...ও উল্লেখ কৰাৰ এটাই মাত্ৰ কাৰণ সেই ...টো হ'ল দলুৱা গাঁৱৰ উৎপত্তি সম্পৰ্কে ...আলোচনা কৰিবলৈ মোৰ আগতে দেশৰ ...তে অঞ্চলৰ পূৰ্বতম দখিল দৰকাৰ অতি ...আলোচন। যেনেকৈ দেশৰ অঞ্চলৰ পাৰিস্থিতি ...ৰ ওপৰত পৰ্যালোচনা নকৰাকৈ এটি লোক ...বাদক ভিত্তি কৰি ইতিহাস যুক্ত কৰা ...টো বাস্তৱ সম্মত নহয় বুলি কেইবাৰ... ...ল হয়তো ওলাব পাৰে।

এটা সময়ত অনেকৰা ...চলিল, সিটো সময়ত হয়তো এই গাঁৱৰ ...মস্ত জীৱ-জন্তুৰ বাহিৰে একোৱে নাছিল। আছিল মাথো হাবি-বনৰ্ষলেৰে ভৰা হিংস্ৰ ...জনোৱাৰৰ বাস ভূমি। কথা হ'ল কালৰ ...সোঁতত এটাই হাবি গুটি মানুহৰ গৃহভূমিত পৰিণত হ'ল। গাঁৱৰ সৃষ্টি হ'ল। মানুহৰ মুখে মুখে প্ৰচলিত লোক প্ৰবাদ মতে তিনিটা ফৈদৰ তিনিটা পৰিয়াল আহি এই হাবিতে আশ্ৰিত হৈ বসবাস কৰিবলৈ লয়। অবাঞ্ছিত পৰিস্থিতিয়ে হওক নাইবা প্ৰাকৃতিক দুৰ্যোগতে হওক নিশ্চয় কিবা এটা কাৰণতে আহি ...এই অঞ্চলত বসতি কৰিবলৈ লয়। এই কিংবদন্তী-

কাহিনীটোক যদি বাস্তৱ দিশৰ ফালৰ পৰা চাম তেতিয়াহ'লে আমি পাওঁ আচহেয়া কালৰ সৰ্বত্ৰ ছেৰবতে এই কাহিনীৰ তি।

নানা দুৰ্যোগৰ মাজেৰে আহি এসময় ত গছৰ তলতে আশ্ৰয় লৈ দিন কটাবলগীয়া টা পৰিয়ালৰ ভিতৰত আছিল কলিতা, বৈশ্য মুছলমান সম্প্ৰদায়ৰ লোক। বিপদত নিময় মনোভাৱেৰে এই তিনিটা গোষ্ঠীৰ তিনিটা পৰিয়ালে এটা পৰিয়ালৰ সমাজি হৈ বিপদ সমূহৰ মাজেৰে কিছুদিন বৰি বাছিবাই সকলৰ লগত দলবদ্ধ ভাবে দিন কটাবলগীয়া হৈছিল। সময়ৰ গতি অবৰ্তাৰিত। মানুহৰ বাছিবাই নাথাকে সময়ো বৈ নাথাকে। অতীতক সুঁৱৰি এই বাস্তৱৰ জগতত বহী নাথাকে মানুহৰ মনৰ গতি। প্ৰত্যেকই আঁকোৱালি লয় নতুন আলোকক। মানুহৰ ক্ৰমবিকাশৰ ফলশ্ৰুতিত ন সমাজৰ সৃষ্টিয়ে বিকশিত কৰি তোলে মানৱ সমাজক। গছৰ তলত আশ্ৰিত অথবা আশ্ৰয় প্ৰতিমা ৰ'দ বৰষুণৰ পৰা আত সাৰিবলৈ এটা সুন্দৰ ঘৰত আশ্ৰিত হ'বলৈ সক্ষমতা অৰ্জন কৰে সিটো এটা জীৱনৰ নিৰ্বাহৰ ৰূপান্তৰ।

এই সময়ত ওই মৌখ পৰিমণ্ডলটিয়ে তিনটা
পৰিমণ্ডলত বিভক্ত হৈ তিনিটা ঠাইত বসবাস
কৰিবলৈ লয়। আজিও কিংবদন্তী হিচাপে পৰি-
চিত আহৰ ঢকুৰিত থকা 'গৰিমণ্ডল মাল'।
এই মালটোৰ আজি পৰ্যন্ত ধ্বংসপাট হিচাপে
দেখা যায়। এই স্থানতে ৫ ঘৰত হৈছে এক দল
দুলীয়াৰ বসতি কৰাৰ নিদৰ্শন। কলিতা, বৈশ্য
আৰু মুচলমানৰ মিলন ভূমি বুলি ক'লেও
ভুল নহয়। ইয়াৰ ওপৰত দলৰীয়া গাঁৱৰ নামৰ
উৎপত্তি সম্পৰ্কে যদি পৰ্য্যালোচনা কৰা যায়
তেতিয়াহ'লে এই হ'ব নামৰ উৎপত্তিত প্ৰমাণ ইন্ধন।
অঞ্চলটোত এই তিনিটা গোষ্ঠীৰ বংশ বৃদ্ধিয়ে
বাসস্থান সমূহ আলানি হোৱাত স্ব গোষ্ঠীৰ
ভিত্তিত একেখন সমাজ গঢ়ি তোলে একেটা
ঢকুৰিৰ লোকসকল। দলাবদ্ধ বসবাস কৰা নিদৰ্শ-
নৰ ভিত্তিতে হয়তো আজিও আমাৰ গাওঁ-
বাসীয়ে দল বা গোটৰ ওপৰত ভিত্তি কৰি
সামাজিক ৰাজনৈতিক আদি দিশ সমূহত
সহযোগিতাই আগবঢ়াই আহিছে। আমি
যদি অতীতৰ গাওঁসমূহৰ যিকোনো কাম
কামৰ ক্ষেত্ৰত ঐতিহ্যগতই হওক বা
ব্যক্তিগতই হওক যদিহে কাৰোবাৰ তেনেহে আছি
হাতে কামে ধৰিছে তেতিয়াহ'লে দেখিব তাত

...ৰ আকটো কোনোপধ্যে ব্যৱহাৰ কৰিব নোৱাৰি। আজিও সেই নিদৰ্শন হৈ আছে বৰ্তমানৰ কৰ্ম-কাণ্ডবোৰত। এই নিদৰ্শনক অনুসৰণ কৰিয়েই বোধ হয় গাওঁখনৰ নাম পুখুৰা হ'লগৈ। বয়োজ্যেষ্ঠ লোকৰ মন্তব্যই ধাৰাবাহিকতা কৰিয়েই আনাত নিয়ম আমাৰ গাঁৱৰ ঐতিহ্য এই অঞ্চলৰ জনমানসত আজিও হৈ থকাৰ সম্ভেদ পোৱা যায় মুখে মুখে।

আহোম ৰাজত্বকালত দলুৰা গাঁৱৰ বুকুত থকা ৰাজহুৱা পুখুৰীটোৱে হ'ল বৰ্তমানৰ পুৰণি চিন। আনুমানিক হিচাপে পাৰা গ'লে দেখা যায় আহোম যুগত শিৱ সিংহৰ দিনতে নামনি অসমত মঠ-মন্দিৰ নিৰ্মাণ আৰু পানীৰ হিতাৰ্থে পুখুৰী খন্দাইছিল। আমাৰ গাঁৱৰ ওচৰতে থকা নিমুৰা বুঢ়াগোঁসাই আজিও একে সময়তে সৰোঁৱা বুলি লোক প্ৰবাদ আছে। বয়োজ্যেষ্ঠ সকলৰ পৰা জনা যায় ১৮৯৫ চনৰ ভূমিকম্পৰ ফলত পুখুৰীটো ভৰি যায়। এই আৰ্দ্ধমৰা পুখুৰীটো বৰ্তমান ৰাইজৰ দ্বাৰা লালিত পালিত হৈ আছে।

...ৰাণিকলীয়াৰ পুখুৰীটোমে হ'ল দলুৱা গাঁৱৰ ... বসতি সাংহেল।

অতীতৰ স্মৃতি ৰোমন্থন কৰিবলৈ ... দলুৱা গাঁৱৰ সমূহীয়া উপাসনাৰ থলী ...সাই ঘৰটোলৈ মনত পৰে। পুখুৰীটোৰ দৰে ...লী সম্পত্তি সেই গোঁসাই ঘৰটো এই ...ৰ মানুহৰ বসতিৰ লগে লগে ধৰ্মীয় উপাস...নাৰ থলী হিচাপে তহানীতে স্থাপন কৰা হয় ...নিতে বৰ্তমানলৈ উপাসনাৰ কেন্দ্ৰ হিচাপে ... আছিছে। ধৰ্মীয়েই হওক বা সামাজিক ...কাৰৰ ক্ষেত্ৰতেই হওক এই অনুষ্ঠান ... গাঁৱৰ উন্নয়নৰ ক্ষেত্ৰ ভূমি হিচাপে চিহ্নিত ... আছিছে। বৰ্তমান দলুৱা গোঁসাইৰ...ৰ প্ৰাংগনত নৰ্কে সংঘৰ কাৰ্যালয়, মঞ্চ আৰু ৰভাঘৰ নিৰ্মাণে গোঁসাই ঘৰ প্ৰাংগনত অতিকৈ শুৱনি কৰি তুলিছে।

১৯২০ চনত দলুৱাৰ বুকুত ...মান প্ৰাথমিক বিদ্যালয় স্থাপন হয়। তাৰ পিছতেই ...কোচত্বৰ কথমতে এটা সমিতিৰোঁৱলা হ'ল। এই

…টোৰ নাম আছিল 'অগ্ৰণী'।

অতীতৰ পৰাই বৰ্তমানলৈকে যদি-
… যায় তেতিয়া হ'লে গাঁৱৰ ঐতিহ্য ৰক্ষা
… দলবদ্ধতাৰ নিদৰ্শনৰ মাজেৰে।
… বা গাঁৱৰ ঐক্যবদ্ধতাৰ মাজেৰে
…মাজিক, ৰাজনৈতিক কাম-কাজ
…ৰ উদাহৰণ বহু ক্ষেত্ৰতে পোৱা যায়।
… এই নিদৰ্শনৰ ওপৰত গাওঁখনৰ নাম
…ৰা হ'বলৈ পালে। নিশ্চয় কেইজনমান অভিজ্ঞ
…জাতি লোকে এই নামটো থ'বলৈ সাধ্য
…টো বিচাৰি পাইছিল।

নলবাৰী জিলাৰ পৰিচয়ঃ

অসমৰ আধুনিক জিলাসমূহৰ মাজত 'নলবাৰী' অঞ্চলৰ সম্পদ আৰু ঐতিহ্য সংস্কৃতিৰ অফুৰন্ত ভাণ্ডাৰ। প্ৰাচীন ভাৰতীয় ঐতিহাসিক ঘটনা সমূহৰ সৈতে উল্লিখিত আৰু বিভিন্ন ৰাজশক্তিৰ যুদ্ধ বিগ্ৰহত সেনা নায়কৰ পদাতিক সেনা বাহিনী সঞ্চালন কৰা সেনা চাউনী আদি ৰজাদিনীয়া পুখুৰী, ডোমবুৰিহাৰ পুৰণি মন্দিৰৰ ভগ্নাৱশেষ, বিলেশ্বৰ মন্দিৰ, গন্ধিমৰ ফুলবাৰী, ফেডুৱা গড়ৰ ভগ্নাৱশেষৰ বাহিৰে ৰাজশাসনৰ স্থাপিত ৰাজধানী বা ৰাজভৱন আদিৰ চাক্ষুস সমল বৰ বিশেষ পোৱা নাযায়।

পূবে নোনা নদীৰ পাৰা পশ্চিমে বৰলিয়া নদীৰ মাজৰ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰৰ নলবাৰী জিলাৰ সৰ্বত অঞ্চলত হিমালয়ৰ পৰ্বত মালাৰ অংশ ভুটান পাহাৰৰ মাজেৰে বৰ্ষা কালত

আহিত বলৈকৰাই প্ৰসাৰিত কৰি বিভিন্ন বসতিস্থ-লীৰ সৃষ্টি কৰিছিল। তদানীন্তন আহোম, কোচ আৰু মোগল শাসক সকলে যেনে জনবসতি যেনেধৰণ এই অঞ্চলত প্ৰান্তীয় শাসকৰ হাটোলি, নিবাস আদি নিৰ্মাণ কৰা হৈছিল। বিলাসমনৰ উত্তৰৰ গোঁসাই কমল আলিৰ উত্তৰে ভূটান পাহাৰৰ পাদদেশলৈ ঘন অৰণ্য আবৃত আছিল সেই অৰণ্য-হিমালয় পাদদেশৰ পাৰহৈ অঞ্চল পৰ্যন্ত সংলগ্ন আছিল। সেই কাৰণে এই অৰণ্যৰ মাজতে জনবসতি আছিল। এই বিলাসমনৰ দুয়ো সংলগ্ন অসুৰক্ষিত লোক আহি এই অঞ্চলত বসতি বিস্তাৰ কৰিছিল।

ইতিহাসৰ তথ্যই 'নলবাৰী' নামটোৰ প্ৰাচীনত্ব প্ৰতিষ্ঠা নকৰে। E. Gait অৰ A History of Assam, সূৰ্য কুমাৰ ভূঞাৰ কামৰূপৰ বুৰঞ্জী, প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ অসম বুৰঞ্জী, নগেন্দ্ৰ নাথ বসুৰ 'Social History of Kamrupa' আদি ইতিহাস গ্ৰন্থত নামটি আছে

...ত অসমৰ বিভিন্ন স্থানৰ উল্লিখন আৰু বিৱৰণ
...হ যদিও নলবাৰীৰ উল্লেখ পোৱা নাযায়।
বৰ্তমান যি ভূ-খণ্ডক নলবাৰী
...ৰ বোলা হয়, সেই ঠাইখণ্ড আছিল
...লি মাটিবাৰী গোবিন্দপুৰ। বৰ্তমান
...ৰীৰ এলেকা আৰু চহৰৰ বৰ্ধিত এলেকা
...টবাৰী, চিৎপোলা, মিলনকুটি আৰু বালি
...বিলা গাঁৱৰ একাংশক লৈ গঠিত হৈছিল।
...বৰ্তী সময়ত ১৯৩৮ খৃঃত নলবাৰী সংস্কৃত
...কলেজ; ১৯৪৫ খৃঃ নলবাৰী কলেজ; নলবাৰী
ছোৱালী হাইস্কুল তাৰ পিছত গোৰীৰম-
...পাঠশালা হাইস্কুল আদিৰ উপৰি
বিভিন্ন শিক্ষানুষ্ঠান গঢ় লৈ উঠে। শেহতীয়া-
কৈ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু
অধ্যয়ন বিশ্ববিদ্যালয় স্থাপনে নলবাৰী
জিলাক বৌদ্ধিক স্তৰত আৰু এখাপ
আগবঢ়াই তুলি ধৰিলে। নলবাৰীয়ে এক
ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত
অভিজাত ৰূপ পৰিগ্ৰহ কৰিলে।

অবিভক্ত নলবাৰী জিলাৰ 2022৮0 হেক্টৰ
মাটিকালিৰে বিস্তৃত আছিল যদিও 2003 খৃঃ ত
...ৰে বি.টি.এ.ডি. গঠন কৰাত নলবাৰী
জিলাৰে উত্তৰ অংশ বাক্সা জিলা ৰূপে সৃষ্টি
হোৱাত ইয়াৰ মাটিকালি হ্ৰাস কৰিছে।

নলবাৰীৰ ভৌগোলিক স্থিতিৰূপে
...৫ অধিসূচৰ GAG/46/84/33 নং অধিসূচনা
মতে নলবাৰী চহৰক জিলাৰ সদৰ হিচাপে
লৈ এই জিলাখন গঠন হয়। ইয়াৰ আগতে
১৯৮৭ চনৰ পৰাই নলবাৰী অবিভক্ত কামৰূপ
জিলাৰ এটা মহকুমা আছিল। ইয়াৰ অৱ
স্থিতি ২৬°১০' উত্তৰ অক্ষৰেখাৰ পৰা ২৬°৪৭'
উত্তৰ অক্ষৰেখালৈ আৰু ৯০°১৫' পূৱ দ্ৰাঘিমা
ৰ পৰা ৯১°০৮' পূৱ দ্ৰাঘিমালৈ বিস্তৃত।

আৰম্ভণিতে নলবাৰী জিলা নটা
ৰাজহ চক্ৰ আৰু ৭টা উন্নয়ন খণ্ডলৈ গঠন
হৈছিল আৰু বৰ্তমান এই জিলাত ১১টা
ৰাজহ চক্ৰ আৰু ১২টা উন্নয়ন খণ্ডলৈ বৃদ্ধি
পাইছে। নলবাৰী জিলাৰ পূৱে কামৰূপ জিলা

উত্তৰে ভূটানৰ আন্তৰ্জাতিক সীমা, পশ্চিমে বৰপেটা জিলা আৰু দক্ষিণে কামৰূপ জিলাৰে আবৃত। জিলাখনত মুঠ গাওঁ পঞ্চায়তৰ সংখ্যা ১১০ খন আৰু গাঁৱৰ সংখ্যা ৮২৭ খন। ইয়াৰে ৮০৩ খন গাঁৱত জনবসতি আছে। বাকী 24 খন গাওঁ নদী খহনীয়াৰ বাবে জনবসতিহীন হৈ পৰিছে। নলবাৰী জিলাৰ ভৌগোলিক আয়তন 20৪৫.৬৬ বৰ্গ কিলোমিটাৰ আৰু 20১১ চনৰ লোকপিয়ল মতে মুঠ জনসংখ্যা ১১,৪৮,৮24 জন। প্ৰতি বৰ্গ কিলোমিটাৰত জনসংখ্যাৰ ঘনত্ব ৫৬2 জন। উল্লেখ্য যে একে সময়তে অসমৰ জনসংখ্যা প্ৰতি বৰ্গ কিলোমিটাৰত ৩৪০ জন। ইয়াৰ দ্বাৰা জিলাখনত জনসংখ্যাৰ হেঁচা অনুমান কৰিব পাৰি। আয়তনৰ ফালৰ পৰা নলবাৰী জিলাৰ আয়তন অসমৰ মুঠ আয়তনৰ 2.৮৮ শতাংশ। আনহাতে জনসংখ্যাৰ ফালৰ পৰা জিলাখনৰ জনসংখ্যা

অসমৰ মুঠ জনসংখ্যাৰ ৪.৩১ শতাংশ।

নলবাৰী নামৰ উৎপত্তি সম্পৰ্কে ভিন্ন মত পোৱা যায়। কথিত আছে বৰ্তমান নলবাৰী চহৰৰ মাজেৰে অসমমত চনৰ্ৰা নামে এখন নৈ বৈ গৈছিল। ব্যাপাৰকুছিকে ধৰি সমগ্ৰ অঞ্চলটোকে ধৰি দ' বিল আছিল। বিলৰ দুয়োকাষত এই বিলখন বসতি পাৰিলত হয় আৰু নল খাগৰিৰে ভৰি পৰে। ঊনৈছ শতিকাৰ মাজভাগত ভূটীয়াসকলে গোহাঁই কমল আলি পৰ্যন্ত উত্তৰ দিশৰ পৰা অত্যাচাৰ আৰম্ভ কৰে। এই অত্যাচাৰত অতিষ্ঠ লোকে স্থানচ্যুত হৈ দক্ষিণ দিশলৈ উঠি যায়। ইতিমধ্যে বিলৰ পাৰত বসতি পাৰিলত যোৱা নল খাগৰিৰে ভৰপূৰ ব্যাপাৰকুছি অঞ্চলটোত এই স্থানচ্যুত লোকসকলে বসতি আৰম্ভ কৰে। এই অঞ্চলটোৰ উত্তৰ-পূব দিশত খাটৰবাৰী নামৰ গাওঁ এখন আছিলেই। নৱাগত সকলে খাটৰবাৰী নামৰ সাদৃশ্যৰে থেঁতেলকৰ নতুন বসতি অঞ্চলটোৰ নাম

...বাৰী ৰাখিছিল বুলি অনুমান কৰা হয়।
... এক মত অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ
... পাৰৰ এই সমতল অঞ্চলটো যেন
...আখ্যাৰে নৰ+বাৰী = নৰবাৰী হয়
... পিছলৈ "নৰবাৰী"ৰ পৰা নলবাৰী হয়।

সমগ্ৰ নলবাৰী জিলাক তিনিটা
...প্ৰাকৃতিক অঞ্চলত ভাগ কৰিব পাৰি:
...) উত্তৰৰ হিমালয়ৰ পাদদেশীয় অঞ্চল
...) মধ্যভাগৰ সুগঠিত সমভূমি আৰু
...) দক্ষিণৰ চৰ অঞ্চলকে ধৰি বানপানী অধ্যুষ-
...িত অঞ্চল।

নলবাৰী জিলাৰ মৃত্তিকা সমূহ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে বুটিয়াই অনা পলসেৰে গঠিত অঞ্চলটোৰ মৃত্তিকাত স্থানীয় ভূ-প্ৰকৃতি, জলবায়ু, উদ্ভিদ আদিৰ অন্তৰত জিলাখনৰ মৃত্তিকা উত্তৰৰ পৰা দক্ষিণলৈ কিছু তাৰতম্য দেখিবলৈ পোৱা যায়। গুণাগুণৰ আৰত ভিত্তি কৰি তিনিপ্ৰকাৰৰ মৃত্তিকা চিনাক্ত কৰা হৈছে।

ক) ন-পলসুৱা মৃত্তিকা

খ) পুৰণি পলসুৱা মৃত্তিকা

গ) গিৰিপাদদেশীয় মৃত্তিকা

বৰ্তমানৰ নলবাৰী জিলাখনৰ ভৌগোলিক আয়তন ১০৫২.০০ বৰ্গ কিলোমিটাৰ। ২০১১ চনৰ লোকপিয়ল মতে বৰ্তমান নলবাৰী জিলাৰ জনসংখ্যা ৭,৭১৬৩৯ জন। প্ৰতি বৰ্গ কিলোমিটাৰত সমষ্টি ৭৬৩ জন, মুকালমুৱা আৰু টিহুকে ধৰি মহকুমা তিনিটা। ৭টা ৰাজহ চক্ৰ আৰু ৬৬ টা গাঁও পঞ্চায়তত সৰ্বমুঠ গাঁৱৰ সংখ্যা ৪৭১ খন। পুলিচ থানাৰ সংখ্যা ৫ খন।

কৃষি প্ৰধান নলবাৰী জিলাত মৌম কৃষি পামৰ ধাৰণা লাহে লাহে গঢ়ি উঠিব ধৰিছে। খাৰিফ শস্য, ৰবি শস্য, উদ্যান শস্য, মৎস্য পালন, সমন্বিত দুগ্ধ পাম, গাহৰি পাম, ব্ৰইলাৰ কুকুৰা ফাৰ্ম আদিৰ প্ৰতি কৃষকসকল আকৃষ্ট হোৱা দেখা গৈছে আৰু

ই আমাৰ বতৰা কঢ়িয়াইছে।

কুটিৰ শিল্প কৃষি সংস্কৃতিৰ অন্যতম অৱদান। অতীতৰে পৰা নলবাৰী অঞ্চল কুটিৰ শিল্পৰ ক্ষেত্ৰত অতি চহকী। কুটিৰ শিল্প বুলি কলে যন্ত্ৰপাতিৰ সহায় নোলোৱাকৈ নিজস্ব বুদ্ধি-কৌশলেৰে তৈয়াৰ কৰা সামগ্ৰী শিল্পকৰ্ম। পৰম্পৰাগত কুটিৰ শিল্প যেনে—

বাঁহ-বেতঃ বাঁহ-বেত শিল্প কলাটো অসমত প্ৰকৃততে কেতিয়াৰ পৰা আৰম্ভ হৈছিল বা কেতিয়াৰ পৰা ই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছিল সেই বিষয়ে কোনো ধৰণৰ সঠিক তথ্য পোৱা নাযায়। তথাপি অনুমান কৰা হয় যে মানুহে সমাজ পাতি বসবাস কৰিবলৈ লোৱাৰে পৰা অসমত এই শিল্পটো প্ৰচলিত হৈ আছিল। বাঁহ-বেতক বাদ দি নলবাৰী জন-জীৱনৰ কথা ভাবিবই নোৱাৰি। নলবাৰীৰ সকলো অঞ্চলতে বাঁহ পোৱা যায়। বাঁহেৰে তৈয়াৰী কেইবিধমান সামগ্ৰী

যেনে: চালনি, জুলা, খৰাহী, পাচি, ডুলি, ঢোল, ...ন, ডুলাচনী আদি।

জাপি: জাপি শিল্প নলবাৰীৰ একেতীয়া সম্পদ। ... বৰ্তমান সংস্কৃতিত পৰিচিত হোৱা জাপি শিল্প ...টো বালিলেছা, দেহাশালিতোলা, কুতবকুছি, তেৰে...মা, তিলনা, বৰামপুৰকুছি, মাধাডিমা গাঁৱত প্ৰচলন হৈ আহিছে। জাপি দুই প্ৰকাৰ - ফুলাম জাপি আৰু সৰোৱা জাপি। সম্ভৱতঃ প্ৰাচীন কালত নলবাৰীৰ সূৰকোনা গাঁও জাপি শিল্পৰ পীঠস্থলি আছিল। জাপি শিল্পৰ কেঁচামাল বাঁহ, তকৌ পাত, বাঁহৰ বেত আদিৰে জাপি প্ৰস্তুত কৰিছিল।

বিশ্বায়নত লোকৰে সৰ্বব্যাপীন অনুষ্ঠান প্ৰতিষ্ঠানে ই- সৰ্বসাধাৰণ ৰাইজৰ হাত হৈৰা আৰু ব্যক্তিগত কাম-কাজৰ সৈতে নিবৃত্ত কৰি আছে যদিও বাস্তৱ- ঘাইকৈ ধৰি চহৰ-নগৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ অনুভৱপে সৰ্ব সাধাৰণ লোকৰ প্ৰাত্যহিক জীৱন যাত্ৰাৰ সুবিধা সমূহ স্বচ্ছন্দে উপভোগ কৰাৰ পৰা বঞ্চিত কৰিছে। সচেতন সামাজিক ব্যক্তি-

মানসিক,তথা যন্ত্ৰণাকে লৈ জনসাধাৰণে দৈনন্দিন জীৱন অতিৰিক্তৰ ঝুঁকি কৰি গৈছে। বিলাসমনৰ উন্নয়ন অধিকাৰী কৰ্তৃপক্ষ আৰু ৰাইজৰ প্ৰতিনিধি সকলে জনসাধাৰণৰ আজৰ অসুবিধাবোৰ অনুভৱ কৰি বিলাসমনক সৰ্বাংগীন সুন্দৰ কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত নিৰ্ভৰ কৰিব 'নাৱৰী' ঘৰভিত্তিক আৰু আধুনিক ৰূপ।

২.২ গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মেপিং

দলুৱাৰ গাঁওখন ঘগ্ৰাপাৰৰ অঞ্চলৰ বাৰী বিলাসৰ সদৰৰ পৰা ৮ কিলোমিটাৰ দূৰত অৱস্থিত। দলুৱাৰ গাঁওখন পূৰ-বনভাগ পঞ্চায়তৰ অন্তৰ্গত। পূৰ-বনভাগ মৌজাৰ সমষ্টিতকৈ কম আয়তনৰ গাঁওখন হ'ল দলুৱাৰ গাঁও। ইয়াত আয়তন অনুপাতে বসতি ঘন। গাঁওখনৰ সীমা নিৰ্ধাৰণ কৰিলে আমি পাওঁ ইয়াৰ পূব দিশত কাউৰকুছি, পশ্চিম দিশত বাতিয়াবাৰী, উত্তৰ দিশত ককাকুছি, আৰু দক্ষিণ দিশত পৈচাৰা গাঁও। এই ঘন বসতি গাঁওখনৰ মাজেৰে ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ, ৰেল লাইনেও খণ্ডিত কৰিছে তিনিটা ভাগত। মাটি কালি অনুপাতে এই গাঁওখনৰ জনবসতি অতি ঘন। এই গাঁওৰ সৰ্বমুঠ মাটিকালি হৈছে ৭০.৫ হেক্টৰ।

## গাঁৱৰ জনসংখ্যা ঃ

২০১১ চনৰ লোকপিয়ল মতে গাঁওখনৰ সৰ্বমুঠ জনসংখ্যা ১০22 জন। আৰু ইয়াৰে ৫৩১ জন পুৰুষ আৰু ৪৯১ জনী মহিলা। দক্ষুৱা গাঁওখনৰ জনসংখ্যাৰ ভিতৰত শিক্ষিতৰ হাৰ আমি কৰবলৈ গলে ৭৮.৮৫ শতাংশ। আৰু ইয়াৰে ৮৫.০৫ শতাংশ পুৰুষ আৰু ৭১.০৮ শতাংশ মহিলা। আমাৰ গাঁওখনত পুৰুষৰ তুলনাত শিক্ষিতৰ হাৰ বেছি। গাঁওখনত সৰ্বমুঠ 202 ঘৰ মানুহ আছে।

দক্ষুৱা গাঁওখনৰ জনসংখ্যাৰ এখন তালিকা কৰি তলত দেখুওৱা হ'ল—

| বিবরণ | মোট | পুরুষ | মহিলা |
| --- | --- | --- | --- |
| মোট জনসংখ্যা | ১,০২২ | ৫৩১ | ৪৯১ |
| সাক্ষর জনসংখ্যা | ৮০৫ | ৪৫৭ | ৩৪৮ |
| নিরক্ষর জনসংখ্যা | ২১৬ | ৭৪ | ১৪২ |

-৪

## গাঁৱৰ জীৱিকাঃ

…ৰা অঞ্চলটোৰ মানুহৰ প্ৰধান জীৱিকা হ'ল [কৃ]ষি। কৃষিৰ লগত জড়িত হ'লেও এই অঞ্চলত [আধু]নিক কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ সীমিত। [ব]ৰ্তমান এই অঞ্চলৰ কিছু সংখ্যক কৃষকে [পা]ৱাৰ টিলাৰ, ট্ৰেক্টৰ কৃষি পথাৰত ব্যৱহাৰ [ক]ৰিছে যদিও খৰাং বতৰত জলসিঞ্চনৰ কোনো [ব্য]ৱস্থা নথকা বাবে কৃষকসকলে সুকলমে [খে]তিৰ কাম শেষ কৰিব নোৱাৰে। ৰবিশস্যৰ [ক্ষে]ত্ৰত কিছুমান কৃষকে কেঁচা শাক-পাচলি [পথা]ৰত [illegible] দেখা যায়। সৰিয়হ, আলু [আ]দিৰ ক্ষেত্ৰতো কিছুমান কৃষক আত্মনিৰ্ভৰ-[শী]ল হৈছে। পশু পালন দলংৰ অঞ্চলৰ মানুহৰ [এ]টা আনুষংগিক জীৱিকা যদিও জীৱন নিৰ্বাহৰ [বা]বে উপযুক্ত নহয়। এটা সময়ত প্ৰত্যেক ঘৰতে [ব]লধ গৰু আছিল। এতিয়া বলধ গৰু দেখিবলৈ

নোহোৱাৰ হ'ল। কিছুমান মানুহে গৰু গাখীৰ বিক্ৰী কৰিও জীৱিকাৰ এটা অংশ ধন উলিয়ায়।

সমগ্ৰ অসমৰ লগতে চন্দুবা গাওঁ আৰু ইয়াৰ ওচৰে পাজৰে থকা গাওঁ সমূহতো নিবনুৱা সমস্যাই এক ভয়াবহ ৰূপ লৈছে। চন্দুবাৰ অন্তৰ্গত চৰকাৰী চাকৰি লোক সীমিত। বহু লোকে বিভিন্ন বৰণৰ কোম্পানীত, কিছুমানে ব্যক্তিগত উদ্যোগত; আন কিছুমানে সংস্থাৰ এজেন্ট আদিৰে জীৱিকাৰ পথ বাচি লব লগা হৈছে। আনকি কিছুমানে হাঁহৰ, কুকুৰা, গাহৰিৰ পালন আদি কৰি জীৱিকাৰ পথ বাচি লৈছে। আনহাতে চন্দুবাৰ অঞ্চলৰ মিস্ত্ৰী, বিভিন্ন পাচডৰৰ লগতে বাহিৰে ব্যৱসায় পানদোকান, চৈচনাৰী, গেলামাল, ৰিক্সা, টেম্পু, অটো, ই-ৰিক্সা পৰিবাহীৰ বাহন আদিত বহু লোকে

…ৰ পথ হিচাপে বাচি লৈছে।

তাঁত শিল্পই বিশ্বায়নৰ প্ৰভাৱত …ৰ খাইছে। তথাপি এই অঞ্চলৰ … শিল্পীসকলে তাঁতশালত ফুলাম … আনকাটা গামোচা, মেখেলা চাদৰ …দি তৈয়াৰ কৰি তেওঁলোকে জীৱিকাৰ … বাচি লৈছে। দলুৱা অঞ্চলত তেনেকু… উৎপাদন কেন্দ্ৰ নাই যদিও নিজৰ বাৰীত … পুখুৰী, গাঁও সমূহৰ মাজতে থকা …হেতীয়া পুখুৰীত মাছ পুহি লাভৱান …ৱা দেখা গৈছে। দলুৱা গাঁৱৰ আম …ৰ বিঘা জমিৰে আগুৰা বতা দিনীয়া পুখুৰীত মাছ পুহি যি লাভ হয় সেই …ৰ বলেৰে গাঁওখনৰ সকলো দিশৰ …য়নৰ কাম কৰা হয়।

## ২.৫ গাঁৱৰ বৰ্ণনা ঃ

আমাৰ গাওঁখনৰ নাম হ'ল দলগুৰা গাওঁ। এই গাঁৱৰ ধৰ্মক্ষেত্ৰ ক'বলৈ গ'লে গাওঁখনত বাস কৰা মানুহখিনি হিন্দু ধৰ্মৰ অৰ্থাৎ সনাতনী। কিন্তু প্ৰায়বোৰ মানুহৰে উপাসনাৰ পন্থা বেলেগ বেলেগ। শ্ৰীমন্ত শংকৰ সংঘৰ, কৃষ্ণগুৰু, [illegible]তাৰ সেৱক; অনুকূলৰ সেৱক আৰু শাক্ত; শৈৱ ধৰ্মী আদি বিভিন্ন পন্থাৰ লোক আছে এই গাঁৱতে। তথাপি কোনো অসুবিধা বা বিশৃংখলা নোহোৱাকৈ একেটা মন্দিৰ বা একেটা চৌহদতে উপাসনা কৰি আহিছে দলগুৰা গাওঁবাসীয়ে। সঁচাকৈ ধন্য দলগুৰা গাওঁবাসী ৰাইজ।

## ২.৬ গাঁৱৰ প্ৰসিদ্ধ স্থান:

শ্ৰী শ্ৰী হৰিমন্দিৰ: দলুৱাৰ অন্তৰ্গত কেইবাটাও ধৰ্মস্থলী বা মন্দিৰ আছে। তাৰ-ভিতৰত প্ৰসিদ্ধ বুলি ক'লে পোন প্ৰথমে আমি নাম ল'ব পাৰোঁ দলুৱাৰ বুকুত সগৌৰৱে থিয় হৈ থকা শ্ৰী শ্ৰী হৰি-মন্দিৰ। প্ৰায় ১০০ ফুট ওখ এই মন্দিৰটো দলুৱা ৰাইজৰ উপাসনাৰ বাবে নিৰ্মাণ কৰি দিছিল দলুৱাৰে সন্তান ভাগ্য কলিতা দেৱে। উক্ত মন্দিৰৰ বাকৰিত বিভিন্ন উৎসৱ-পাৰ্বন, পূজা আদি অনুষ্ঠান সমূহ অনুষ্ঠিত কৰা হয়। গাঁওখনৰ মন্দিৰটোত প্ৰতি বছৰে ভোগালী বিহু আৰু ৰাজহুৱা সভা মহোৎসৱ পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ভোগালী বিহুৰ দিনা ৰাতি পুৱা মেজি প্ৰজ্বলন অনুষ্ঠানত গাঁৱৰ ল'ৰা-ছোৱালী, শাহু-বোৱাৰী, ডেকা-বুঢ়া সকলোৱে যোগদান কৰি এক নান্দনিক পৰিৱেশৰ সৃষ্টি কৰে। মন্দিৰত লক্ষ্মী-

পূজা, শিৱৰাত্ৰি পূজা, তিনি প্ৰহৰ-
জগন্নাথ মহাপ্ৰভুৰ নাম গুৰু ভকতৰ-
কীৰ্তন আৰু বৰোৎসৱৰ মহা ধুম
ধামেৰে উদ্‌যাপন কৰা হয়। প্ৰত্যেক-
টো পূৰ্ণিমা তিথিও পালন কৰা হয়
ইয়াত।

## ঃ ঐতিহাসিক ৰাজহুৱা পুখুৰীঃ

দলগুৰা গাঁৱৰ বুকুত থকা বৰ্তমানৰ পুৰণি চিহ্ন-ঐতিহাসিক ৰাজহুৱা পুখুৰীটো। অনুমানিক-হিচাপৰ পৰা চালে দেখা যায় আহোম যুগত শিৱসিংহৰ দিনতহে নৱমানি অসমত মঠ, মন্দিৰ; নিৰ্মাণ আৰু প্ৰজাৰ হিতাৰ্থে পুখুৰীটো খন্দাইছিল। আমাৰ গাঁৱৰ এই পুখুৰীটো ৰজা মহাৰজাৰ দিনতে বুলি ধৰি ল'ব পাৰি। ইয়াৰ আয়তনৰ ক্ষেত্ৰত যদি আমি চাবলৈ যাওঁ বৰ্তমানৰ আয়তনতকৈ আগৰ পুখুৰীটো দুগুণ আছিল। বয়োজ্যেষ্ঠ সকলৰ পৰা জনা যায় ১৮৯৭ চনৰ ভূমিকম্পৰ ফলত পুখুৰীটো মাৰ যায়। এই আধৰুৱা পুখুৰীটো বৰ্তমান ৰাইজৰ দ্বাৰা লালিত পালিত হৈ আছে। এই পুৰণি কলীয়া পুখুৰীটো দলগুৰা গাঁৱৰ এক প্ৰসিদ্ধ স্থান ৰূপে স্বীকৃত হৈছে।

: বাবাধাম আশ্ৰম:

দলুৱা গাঁৱৰ ৮৭বি ঢুকুৰিতে শিৱক আৰাধনা কৰাৰ বাবে শিৱ মন্দিৰ আছে। অৰ্থাৎ কে দলুৱা ৰাওৱা পুখুৰীৰ দক্ষিণ পাৰত বাবাধাম নামৰ শিৱৰ আশ্ৰম স্থাপন কৰা হৈছে। ফাগুন বা চ'ত মাহত এই ধামখনত তিনিদিনীয়া কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হয়। এই চৌহদতে ভোলা উৎসৱ আৰু বাপতি সাহন ৰঙালী বিহু উদযাপন কৰা হয়।

: শ্ৰী শ্ৰী গোপাল থান:

দলুৱা গাঁৱৰ গাতে লাগি থকা কসুৱাকুচি গাঁৱৰ বলপুখুৰী পাৰৰ শ্ৰী শ্ৰী গোপাল থান এখন প্ৰসিদ্ধ স্থান হিচাপে চিহ্নিত হৈছে। এই থান খনত মাঘমাহত তিনিদিনীয়া কৈ ধৰ্মালোচনা সভা উদযাপন কৰা হয়। প্ৰায় ১০/১২ খন গাঁৱৰ ধৰ্মপ্ৰাণ ৰাইজ -

এই ধৰ্মালোচনী সভাখনত উপস্থিত হৈ এক উৎসৱ-মুখৰ পৰিৱেশৰ সৃষ্টি কৰে। ধৰ্মালোচনা সভাখনৰ দ্বিতীয় দিনা ধৰ্মপ্ৰাণ ৰাইজৰ বাবে এক শোভাযাত্ৰা কৰা হয়। সেয়ে বহু অঞ্চলৰ পৰা এই সভা মহোৎসৱলৈ অগণন ভক্তৰ আগমন হয়।

# তৃতীয় অধ্যায়

সংস্কৃতিৰ স্বৰূপঃ

অসমীয়া - ভাৰতৰ
আঞ্চলিক ভাষাত ইংৰাজী 'কালচাৰ'
culture শব্দৰ সমাৰ্থক হিচাপে সংস্কৃতি
টো ব্যৱহাৰ কৰা হয়। 'সংস্কৃতি' শব্দটো
ৰৰ লগত বিশেষ ভাৱে জড়িত। যাৰ
ৰ হৈছে মিমে সংস্কৃতি। কোনো কোনো
ইংৰাজী culture শব্দৰ পৰিভাষা হিচাপে
শব্দটোহে প্ৰয়োগ কৰে। কৰ্ষণৰ লগত
ৰ সম্পৰ্ক ওতঃপ্ৰোত আৰু কৃষ্টিক
সংস্কাৰ কৰি লোৱেই সংস্কৃতিৰ জন্ম
একেটা ক্ৰিয়াৰ ব্যৱহাৰ আচৰণ
আবৃত্তিক কৰ্ষণ বা কৃষি আখ্যা দিব
পাৰি। আৰু এই কৃষ্টিক সংস্কাৰ কৰি
লোৱাটোৰ নামেই সংস্কৃতি। কৃষিৰ বাবে
খোৱাত হাল বোৱা বা কোৰ মৰা,
ৰ নামেই কৃষি আৰু তাৰ ফলস্বৰূপে
খাৰত শস্য উৎপন্ন হোৱাৰ বাবে উপযোগী
সংস্কাৰ ক্ষমতা বা যোগ্যতা যোগে
সংস্কৃতি।

খৃঃ ১৮৬৫ চনত এডৱাৰ্ড টাইলাৰে সৰ্ব প্ৰথম ব্যৱহাৰ কৰা Culture শব্দটোৰ মূল হ'ল লেটিন ভাষাৰ 'কোল' ধাতুৰপৰা Colere বা Cultura অৰ্থাৎ কুলতুৰা Colere বা Cultura শব্দৰ অৰ্থ কৰ্ষণ কৰা অথবা খেতি কৰা। গতিকে সংস্কৃত কৃষ্টি আৰু লেটিন Cultura ৰ মাজত যে অৰ্থৰ ফালৰ পৰা মিল আছে তাত সন্দেহ নাই। কালচাৰৰ প্ৰতি শব্দ বালে বংগীয় পণ্ডিত যোগেন্দ্ৰ চন্দ্ৰ ৰায় বিদ্যানিধিয়ে 'কৃষ্টি' শব্দটো প্ৰয়োগ কৰিছিল। সুনীতি কুমাৰ চট্টোপাধ্যায় অনেক মহাৰাষ্ট্ৰীয় বন্ধুৰ দ্বাৰা অনুপ্ৰাণিত হৈ সংস্কৃতি শব্দটোৰ প্ৰতি বিশ্ব কবি ৰবীন্দ্ৰ নাথৰ দৃষ্টি আকৰ্ষণ কৰে। ৰবীন্দ্ৰ নাথৰ প্ৰচেষ্টাৰ ফলতে সংস্কৃতি শব্দটি বঙলা ভাষাত গৃহীত হয়। 'অসমসংস্কৃতিৰ বিশিলপাথনি' কথাষাৰ পোৱা যায়- ঐতিহ্য ব্ৰাহ্মণত প্ৰকাশৰ ফালৰ পৰা লেটিনৰ 'কোল' ধাতুৰপৰা কুলতুৰা আৰু

ইন্দো এৰিয়ান গোষ্ঠীৰ কৃষ্টি সংস্কৃতিৰ সাদৃশ্য পৰিলক্ষণীয়। ধৰ্ম বা বৰ্ণগত আত্মিক বা চিত্তগত বিকাশ সংস্কৃতিৰ অন্যতম লক্ষ্য হ'লেও সংস্কৃতিৰ পৰিসৰ ইয়াতকৈও ব্যাপক আৰু বিস্তৃত। প্ৰকৃতপক্ষে সমগ্ৰ জীৱনচৰ্যাৰ মাধ্যমেৰে সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটে। জীৱনৰ বিভিন্ন কৃতিয়ে সংস্কৃতি। (সোম-কান্তি)।

৩৯ : সংস্কৃতির সংজ্ঞা আর শ্রেণীবিভাজন।

সংস্কৃতি শব্দের দ্যোতনা অতিকে ব্যাপক। সমাজ বিজ্ঞানী আর নৃতত্ত্ববিদ সকলে সময়ে সময়ে সংস্কৃতি বা কালচার শব্দের বহুল ভাষ্য ভিন্ন দেখা যায়। কোনো পণ্ডিতের মতে সংস্কৃতি সামাজিক সৌকর্য আর বৌদ্ধিক পরমোৎকর্ষ। ম্যাথু আর্নল্ডের মতে মাধুর্য আর আলোকেই সংস্কৃতি। দার্শনিক কান্টের আর হেগেলের মতে মানবের নৈতিক আধ্যাত্মিক আর বৌদ্ধিক বিকাশই সংস্কৃতি। দার্শনিক আর নৃতত্ত্ববিদ বেদিন বিদি এ কথা যে কোনো এক ভৌগোলিক পরিবেশের মাঝে মানব প্রকৃতির উৎকর্ষ সাধনেই সংস্কৃতি। মানুষ যে জ্ঞান লাভ করে অসামাজিক জ্ঞান আর সংস্কারের সর্বসমেত লাভ করে সামাজিকতা।

ব্ৰিটিছ নৃতত্ত্ববিদ্ এডৱাৰ্ড বাৰ্ণেট টাইলাৰে প্ৰথমতে কালচাৰ পদটোৰ অৰ্থ ব্যাখ্যা কৰে আৰু ইয়াৰ প্ৰয়োগৰ পৰিধি বিস্তৃত কৰে। টাইলাৰে ১৮৭১ চনত 'কালচাৰ'ৰ ব্যাখ্যা এনেদৰে দিছিলে সমাজৰ অংগীভূত সদস্যৰূপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সমষ্টিৰ সমন্বয়াত্মক যৌগিক ৰূপেই সংস্কৃতি। টাইলৰৰ মতে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ বা ঐতিহ্য। সংস্কৃতি ব্যক্তিৰ নহয় সমাজৰ দান।

মানুহে বংশ-পৰম্পৰা সমাজ-জাতি বাস কৰিবলৈ লোৱাৰ ফলস্বৰূপে-সামাজিক প্ৰাণী হিচাপে মানুহে বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম অধৰ্ম।

মালিনৱস্কিয়ে টাইলাৰৰ আগবঢ়োৱা স্পেন্সাৰৰ ওপৰত নিৰ্ভৰ কৰি কৈছে যে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ। এই উত্তৰাধিকাৰ অন্তৰ্গত ভৌতিক আৰু অভৌতিক উভয়বিধ উপাদানৰ সমষ্টি থাকে। অৱশ্যে অভৌতিক উপাদান সহজে উপলব্ধি কৰিব নোৱাৰি। আন কথাত সংস্কৃতি জীৱনৰ সামগ্ৰিক পদ্ধতি সামৰ্থীন। মানসিক, সামাজিক আৰু ভৌতিক আদি উপাদানেৰে জীৱন পদ্ধতি নিৰ্মিত হয়। বহলভাৱে সংস্কৃতিৰ ভাগ দুটা: ক) সামাজিক সংস্কৃতি আৰু খ) ভৌতিক সংস্কৃতি। যেনে বিভিন্ন দৃষ্টিত সংস্কৃতি সমূহ, শিল্প সামাজিক গঠন, ভাষা, ধৰ্ম, কলা আদিৰ পৰিণতি সমৰ্থীন। ওপৰৰ আলোচনাৰ পৰা অনুমান কৰিব পাৰি যে সংস্কৃতি বাস্তৱিক সত্তা, মৰেটৰ মতে, সংস্কৃতি অতিজৈৱিক তথ্য।

সংস্কৃতিৰ সৰ্বজন গ্ৰাহ্য আধুনিক স্নত্ৰ এগৰাকী নৃতত্ত্ববিদে এনেদৰে কৈছে —

...lture is a set of rules or standards which ...en acted upon by the members, of a ...ciety produce that falls within a range ...f variance the members consider proper ...nd acceptable.

অৰ্থাৎ সংস্কৃতি বিদ্যমান ...সকলৰ সংযুক্তি অথবা পৰিমাপক। এই সংযুক্তি ...ৰে কোনো এখন সমাজৰ অংশীভূত ...ক্তি সকলক প্ৰণোদিত কৰাৰ ফল হিচাপে সেই সমাজৰ অংশীভূত ব্যক্তি সকলৰ ...ৰে উপযুক্ত আৰু গ্ৰহণ যোগ্য বিভিন্ন আচৰণৰ জন্ম হয়. এই আচৰণৰ সমষ্টিয়েই সংস্কৃতি।

লিন্টনৰ মতে মানৱৰ জীৱন পদ্ধতি আৰু ঈশ্বৰ বিষয়ে কৰা চিন্তা এটা ধুমুহাই ...ক নহয়। মানৱৰ সামগ্ৰিক জীৱন পদ্ধতিক বাস্তৱ সত্তা বুলিব লাগিব আৰু ঈশ্বৰ চিন্তা ...টা বুলিব লাগিব বাস্তৱ সত্তাৰ উপলব্ধি। ...ই বাস্তৱ সত্তাই হ'ল সংস্কৃতি আৰু ঈশ্বৰ

...ত্ৰ-চৰ্চা তাৎপৰ্য্যমূলক সংস্কৃতি নিৰ্মাণ ৰূপে আখ্যা-দিব পাৰিব।

সাংস্কৃতিক নৃতত্ত্ববিদ সকলে প্ৰৱৰ্তন কৰা সম্প্ৰত্যয়সমূহৰ ভিতৰত সংস্কৃতি সম্প্ৰত্যয় নিশ্চিত ভাৱে অন্যতম হ'লেও সংস্কৃতিৰ স্বৰূপৰ ব্যাখ্যা দিয়াৰ প্ৰসংগত তেওঁলোক একমতত উপনীত হ'ব পৰা নাই। সাংস্কৃতিক নৃতত্ত্ববিদ সকলৰ ভৱিষ্যত গৱেষণাই সংস্কৃতিৰ স্বৰূপ উপলব্ধিত পৰ্য্যাপ্ত ভাৱে সমল যোগাব পাৰিব বুলি আশা কৰা হৈছে।

৩.২ : অভিজাত শ্ৰেণী :

অভিজাত শ্ৰেণীৰ উদ্ভৱ আৰু বিকাশ লোকসংস্কৃতিৰ পূৰ্বে হৈছিল নে পৰৱৰ্তী কালত হৈছিল সঠিক ভাবে কোৱা টান। ভাৰতবৰ্ষৰ প্ৰসংগত ক'ব পাৰি যে, ২৫০০ বছৰৰ পূৰ্বেই অভিজাত সংস্কৃতিৰ উদ্ভৱ হৈছিল। অভিজাত সংস্কৃতিক শ্ৰেষ্ঠ ঐতিহ্যৰ আখ্যা দিব পাৰি। লোক সংস্কৃতিৰ তুলনাত অভিজাত বা শিষ্ট সংস্কৃতি অধিক ৰীতিবদ্ধ, সুনিৰ্দিষ্ট আৰু আত্মসচেতন। অভিজাত বা শিষ্ট সংস্কৃতিক শাস্ত্ৰীয় বা বৈদিকী বা মাৰ্গী বা মাগীয় সংস্কৃতিও বুলিব পাৰি। ভাৰতবৰ্ষৰ প্ৰসংগত ক'ব পাৰি যে, শাস্ত্ৰীয় বা অভিজাত সংস্কৃতি সময়ৰ সোঁতত পৰিৱৰ্তনৰ সন্মুখীন হ'বলগীয়া হৈছিল; যদিও ইয়াৰ অবিচ্ছিন্নতা অব্যাহত গতিত প্ৰবাহমান হৈ আছে।

৩৬ : লোক-সংস্কৃতি:

Folk Culture শব্দটোক বুজোৱৰ বাবে অসমীয়া ভাষাত সাধাৰণতে লোক-সংস্কৃতি শব্দটো ব্যৱহাৰ কৰা দেখা যায়। আনহাতে Folklore ক বুজাবৰ বাবে লোক-সংস্কৃতি শব্দটোৰ ব্যৱহাৰ কৰিবলৈ লোৱা হৈছিল। Folk ৰ অৰ্থ লোক বা জন। Lore ৰ অৰ্থ বিদ্যা; Lore শব্দে সাংস্কৃতিক সমগ্ৰ দিশ অৰ্থ বোজে পোৱা নেন। সেইকাৰণে Folklore ক বুজাবৰ বাবে লোকবিদ্যা শব্দটো প্ৰয়োগ কৰা হে অধিক সমীচীন যেন লাগে।

লোক-সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশৰ পটভূমি সাধাৰণতে লোক সমাজ অৰ্থাৎ Folk Society নগৰ-গাঁৱৰ বৰ্তমান এবং অতীতৰ লোক সমাজ-

আমরা চিনতে পারি। ইতর সমাজের সংস্কৃতিই হল লোক সংস্কৃতি। এ স্বতন্ত্র নহে সভ্যতার ছোট খাটো বা ছিলাহে। শিল্প আর অভিজাত-শ্রেণী থেকে ভিন্নতর লোক সংস্কৃতির বিকাশ হতে পারে।

আদিকথা; লোককথা; সাধুকথা; ছেঁটছাটি, লোকোক্তি; প্রবচন, হেঁয়ালি, প্রবাদ-সংস্কার; নির্দেশ, আবৃত্তি, মন্ত্র, আশীর্বাদ; অভিশাপ, গালি; মানত- অপমান, অসঙ্গতি আত্মশোধ, উপহাস; সান্ত্বনা, পোশাক-পরিচ্ছদ, বেশ-ভূষা; অলংকার; লোক নৃত্য; লোকনাটক, লোককলা, লোক-বিশ্বাস, অন্ধবিশ্বাস; লোক-উৎসব রীতি, লোক-সংগীতের সাথে জড়িত বাদ্য-যন্ত্র, লোক-ভাষা; লোক-উপমা; রূপক, নক্সা; লোক-কবিতা, বাউরা; ঘর-

ৰেৰ, নিচুকণী গীত, মুদ্ৰা, প্ৰাৰ্থনা উৎসৱৰ অনুষ্ঠান, লোকবৰ্ণ আদি লোকবিদ্যাৰ বিবিধ ভিতৰত সমাবিষ্ট পাৰি। লোকবিদ্যাৰ অংগীভূত বিষয় আৰু এইবোৰৰ পদ্ধতিগত অনুশীলন আৰু অধ্যয়নক লোকসংস্কৃতি বোলে।

: জনজাতীয় সংস্কৃতিঃ

সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ
পাৰ্থক্য বিদ্যমান। জনজাতীয় স্বয়ং
। আনহাতে লোক সংস্কৃতিৰ স্বৰূপ
সংস্কৃতিৰ ভেলা সংস্কৃতিহে। জনজাতীয়
তি কম বেছি পৰিমাণে অন্তত হৈ
। কোনো জনজাতীয় সংস্কৃতি যদি লোক
অভিজাত সংস্কৃতিৰ দ্বাৰা গভীৰ ভাৱে
প্ৰভাৱিত হয়। তেন্তে তাক প্ৰকৃতাৰ্থত
জাতীয় সংস্কৃতিৰ দ্বাৰা যে লোক
স্কৃতি আমাৰ নিজৰ সংস্কৃতি প্ৰভাৱান্বিত
ৰ নোৱাৰে। তেনে কোনো ধৰা বন্ধা
নাই। অসমৰ সংস্কৃতিৰ প্ৰসংগত
ৰ নিদৰ্শন সুন্দৰ ভাৱে দেখা যায়।

# চতুর্থ অধ্যায়

৩.৩ : লোকাচাৰ :

লোক সংস্কৃতিত সামাজিক লোক প্ৰথা, ধৰ্ম বিশ্বাস আচাৰ আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সমাজ আৰু পৰিয়ালৰ মাজত জন্ম, মৃত্যু, বিবাহ, কৃষি আদি সংক্ৰান্তীয় বিভিন্ন ৰীতি-নীতি, আচাৰ পদ্ধতি গঢ় লৈ উঠে। এই সকলোবোৰে লোক সংস্কৃতিৰ এটা সুকীয়া শ্ৰেণীৰ জন্ম দিছে। ইয়াক লোক প্ৰথা বা লোকাচাৰ বুলি আখ্যা দিয়া হয়।

৪.১ঃ লোকাচাৰৰ সংজ্ঞা আৰু স্বৰূপঃ

কোনো অঞ্চল বা সমাজত প্ৰচলিত আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিভিন্ন ক্ৰিয়া-কলাপ আদিক সামাজিক লোকাচাৰ বোলা হয়। লোকাচাৰ সমূহৰ সৃষ্টিৰ উৎস হ'ল লোক-বিশ্বাস, উৎসৱ অনুষ্ঠান, খেল-ধেমালি; লোক-উৎসৱ আৰু লোকধৰ্মই লোকাচাৰৰ ভেটি সুদৃঢ় কৰি তোলে। লোক-সংস্কৃতিত সামাজিক লোক-প্ৰথা, ধৰ্ম বিশ্বাস আচাৰ আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সমাজ আৰু পৰিয়ালৰ মাজত জন্ম, বিবাহ, মৃত্যু, কৃষি আদি বিভিন্ন ৰীতি-নীতি, আচাৰ-পদ্ধতি গঢ় লৈ উঠে। এই সকলোবোৰে লোকসংস্কৃতিৰ এটা সুকীয়া শ্ৰেণীৰ জন্ম দিছে। ইয়াক লোক-প্ৰথা বা লোকাচাৰ আখ্যা দিয়া হয়।

লোকাচাৰ সাধাৰণতে শাস্ত্ৰবিশেষৰ অনুশাসনৰ যোগেদি স্থাপি দিয়া বস্তু নহয়, কোনো ৰাজ্যৰ জনসাধাৰণতে চিৰকাল বিশেষকৈ পৰম্পৰাগত ভাবৰ পালন কৰি অহা এই আচাৰ-নীতি আৰু ক্ৰিয়াকলাপ, ইয়াৰ মাজেদি জনগণৰ ধৰ্মীয়, আধ্যাত্মিক, সামাজিক আদি দিশত লাভ কৰা উৎকৰ্ষ অপকৰ্ষৰ প্ৰমাণ পোৱা যায়। ৰাজ্যৰ প্ৰাকৃতিক ভৌগোলিক প্ৰভাৱ আৰু ধৰ্মীয় পৰম্পৰাই অধিবাসী সকলৰ আচাৰ-নীতিৰ সৃষ্টি কৰাত কিছু সহায়তা নকৰাকৈ নথাকে। এনে ধৰণৰ বিভিন্ন লোকাচাৰে অসমৰ লোক সংস্কৃতিৰ ভেটি আহল-বহল আৰু সুদৃঢ় কৰি ৰাখিছে।

## ৪.২: লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিক সম্পৰ্ক:

অসমৰ সৰহ সংখ্যক লোকেই গাঁওবাসী, কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু পৰম্পৰা আশ্ৰয়ী গতিকে অসমৰ সামাজিক আচাৰ অনুষ্ঠান সমূহত আঞ্চলিক উপাদান থাকিলেও এইবোৰ প্ৰায় লোকে সমাজত আশ্ৰয়ী। দ্বিতীয়তে, অসমৰ সামাজিক আচাৰ-অনুষ্ঠানবোৰৰ জাতি উপ-জাতিৰ নিৰবিচ্ছিন্নতাৰ চিত্ৰ সম্পূৰ্ণ লক্ষ্য কৰিব পাৰি। অসমত প্ৰচলিত বিশ্বাস-ধৰ্মীয় আচাৰ বিচাৰে আঞ্চলিক লোকাচাৰ আৰু জনজাতীয় সাংস্কৃতিক সংমিশ্ৰণ ঘটিছে তাৰ অন্যতম নিদৰ্শন যোগিনীতন্ত্ৰত উল্লেখ কৰা কেৰাতৰ ধৰ্ম বা কিৰাতিকা ধৰ্মই দিব পাৰে। সেইকাৰণে অসমৰ সামাজিক আচাৰ অনুষ্ঠান বা পূজাপাতলক লোকমানস আচাৰ-অনুষ্ঠান নাম দিয়াই সমীচীন হয়। সামাজিক-আচাৰ

অনুষ্ঠান যথার্থতে পৰম্পৰাগত বাৰ্ৰণৰ প্ৰতি

ফলন মাথোন। গতিকে পৰম্পৰাগত বাৰ্ৰণ; বাকী

কলা আৰু ভৌতিক সংস্কৃতিৰ সংযোগৰ বিন্দুৰ

দৰে। লোকাচাৰ ব্যক্তিগত ধাৰণৰ অন্যান্যশিক্ষাৰ

সমষ্টি নহয়, সামাজিক ধাৰণৰ অন্যান্য শিক্ষাৰ

সমষ্টিহে। সামাজিক লোক আচাৰ অনুষ্ঠান

বা লোকাচাৰে কলা বা লোক সাহিত্য

যথোপযুক্ত অনুষংগ যোগালেহে ভূমিকা গ্ৰহণ

কৰি আহিছে। সমাজ আৰু পৰিয়ালত প্ৰচলিত

বিশ্বাস, ধৰ্ম, ধৰ্মীয়, আচৰণ, বিবিধ উৎসৱ অনুষ্ঠান

জন্ম, বিবাহ-মৃত্যুৰ লগতে জড়িত বিবিধ অনুষ্ঠান

আচাৰ, অবসৰ বিনোদন, খেলা-ধেমালি, লোক-

চিকিৎসা আদিকেই সৰ্বাঙ্গতোভাৱে সামাজিক

লোকাচাৰ আখ্যা দিয়া হয়। এইবোৰৰ ৰীতি

নীতি, আচাৰ-ব্যৱহাৰ আদি প্ৰায়ে লোক-

বিশ্বাস নিৰ্ভৰশীল। বিদ্যমান ৰীতি-নীতি,

আচাৰ-ব্যৱহাৰ সুনির্দিষ্ট আৰু স্থানীয়। সাধাৰণ আৰু বিশেষ দুবাৰ দুৰণ-কৰণ, আচাৰ-ব্যৱহাৰ আদিত সমূহ শাৰিৰিক কার্য, লোক বিশ্বাস আৰু ভৌতিক পদার্থৰ স্থিতি লক্ষ্য কৰিব পাৰি। মিৰিসকল আচাৰ-অনুষ্ঠান আৰু ৰীতি-নীতি যাদুমূলক আৰু ধর্মীয় ভেৰসমূহ তেওঁবিলাকৰ সাধাৰণতে ক্রিয়া কাণ্ড বা আচাৰ-অনুষ্ঠানৰ ব্যক্তিগত আৰু ৰাজহুৱা হব। ৰাজহুৱা ক্রিয়াকাণ্ড, আচাৰ-অনুষ্ঠানৰ লগতে আন আন সামাজিক আচৰণ সংযুক্ত হৈ আন সৰ্বি সামাজিক লোকাচাৰৰ ৰূপ হৈছে। যাৰ উৎসৱৰ অনুষ্ঠান আখ্যা দিয়া হয়।

নদীবাৰীৰ লোকাচাৰৰ লগত লোকগীত, নৃত্য, বনঔষধি, সাধুকথা-মন্ত্র আদি লোক-সাহিত্যৰ সকল দিশ-সর্বদাই সংপৃক্ত। পৰম্পৰাগত পোছাক পৰিচ্ছদ, অলংকাৰ-

পাতি, বাদ্যযন্ত্ৰ, নানাবিধ শিল্প বস্তু, খোৱা লোৱা
ৰুৱাৰ নিৰ্মাণ কৰা আদি ভৌতিক সংস্কৃতিৰ
সকলো লোকাচাৰৰ লগত নিয়মিত ভাৱে জড়িত
হৈ থাকে। তেনেদৰে গীত, নৃত্য, লোক নাটক
আদি লোক পৰিবেশ্য কলাৰ সকলো লোকাচা
ৰৰ সৈতে জড়িত হৈ থকা দেখা যায়।

৪.৩ঃ লোকাচাৰৰ প্ৰকাৰভেদঃ ক) উৎসৱ অনুষ্ঠানঃ জন্মৰ পৰা মৃত্যু পৰ্যন্ত নানান ধৰণৰ উৎসৱ অনুষ্ঠান অনুষ্ঠিত হয় আৰু সেইবোৰে অসমীয়া লোক-সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰিছে। কিছুমান অনুষ্ঠান উৰ্বৰা শক্তিৰ সৈতে সম্পৰ্কিত। যেনে - বিহু, বৈশাগু, অম্বুবাচী, জেমেলী, পাচতি, দেওলে, ভেকুলীৰ বিয়া, পৰবা, মথেলি লিগাং, হুদুম পূজা, বাস্তোলপিতা, ৰংকেৰ, ছাগ্ৰাআ খৰা, চুমাংকে আদি। লক্ষ্মী পূজা, শীতলা পূজা, সত্য নাৰায়ণ পূজা, শিৱপূজা, দুৰ্গাপূজা, মনসা-বা মাৰৈ পূজা, জন্মাষ্টমী, ৰথযাত্ৰা, ৰাস, পূৰ্ণিমা, ঝুলন যাত্ৰা বা দৌলযাত্ৰা, বিভিন্ন তিথিত ব্ৰত অনুষ্ঠান চহা মানুহৰ ধৰ্ম আৰু সামাজিক জীৱনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত।

খ) অৱসৰ বিনোদন আৰু খেলা-ধেমালিঃ অসমীয়া লোক-সমাজত হাতখেল, টোপাখেল, বলখেল, গুটিখেলা

লুকাভাকুৰি, টাংগুটি, ভেৰুকুট - ফুট, বাঘগৰু, ফটিক টেকেলি, কুকুৰাযুঁজ, মোৰাদৌৰ, সাঁতোৰ ইত্যাদি খেলবিলাক অতি প্ৰাচীন কালৰে পৰা চলি আহিছে।

(গ) লোক ঔষধ: ৰোগ, অপায় - অমংগল আদি দূৰ কৰিবলৈ অসমীয়া মানুহে মন্ত্ৰ আৰু যাদুবিদ্যাৰ ব্যৱহাৰ কৰে। বন দৰবৰ ব্যৱহাৰো অসমীয়া লোক সমাজত আছে। ৰোগ নিৰাময় কৰাৰ নিচিনাকৈ ৰোগৰ সৃষ্টি কৰিবলৈ কু মন্ত্ৰ আৰু বনৰীয়া ঔষধ প্ৰয়োগ কৰাৰ প্ৰমাণো পোৱা যায়।

(ঘ) লোক ধৰ্ম: লোকসকলৰ ধৰ্ম সম্বন্ধীয় বিশ্বাসৰ ভেটিতে গঢ়ি উঠিছে অসমৰ অসংখ্য সামাজিক প্ৰথা। লোক সমাজত ধৰ্মৰ বিশিষ্ট স্থান অনস্বীকাৰ্য। যাদু আৰু ধৰ্মক কেন্দ্ৰ কৰি লোকসমাজত নানা পূজা-পাৰ্বন, উৎসৱ অনুষ্ঠান আদিৰো সৃষ্টি হৈছে আৰু লোক সমাজত ইবোৰৰ প্ৰভাৱো বিশেষভাৱে লক্ষণীয়।

৪.৪ঃ জন্ম, মৃত্যু আৰু বিবাহৰ গুৰুত্বঃ

সংস্কৃতি বুলিলে কোনো এটা জাতি বা জনগোষ্ঠীৰ আগত দীৰ্ঘদিন ধৰি চলি অহা উৎসৱ পাৰ্বন, ৰীতি-নীতি, শিল্প-কলা ধৰ্ম, শিক্ষা, খেল-ধেমালি আদি আদৰ্শৰ মাজেৰে গঢ় লৈ উঠা ৰূপটোকে বুজায়। কোনো এটা জাতিৰ বা জন গোষ্ঠীৰ ভাব চিন্তা, ৰুচি, আদৰ্শ আদি সংস্কৃতিৰ মাজেৰে প্ৰতিফলিত হয়।

প্ৰকৃতিজগতৰ বিচিত্ৰ ৰূপ আৰু ভয়াবহতা লক্ষ্য কৰি আদিম মানবে কোনো অদৃশ্য শক্তিৰ হাত আছে বুলি সৰলভাৱে বিশ্বাস কৰিয়েই পূজা-পাতল বা ঐন্দ্ৰজালিক ক্ৰিয়াকাণ্ড আদি কৰিছিল। এইবোৰক কেন্দ্ৰ কৰিয়েই সমাজত ধৰ্মীয় বিশ্বাস, উৎসৱ - অনুষ্ঠান আদি গঢ় লৈ উঠিছে। আভিজৰে পৰা মানুহৰ জীৱন যাপনৰ প্ৰধান অৱলম্বন সমূহ যেনে - চিকাৰ, কৃষি কৰ্ম, খাদ্য-বোপন, খাদ্য আহৰণ, খাদ্য সংৰক্ষণ, গৃহ নিৰ্মাণ আদিক কেন্দ্ৰ কৰি অলেখ অসংখ্য লোকাচাৰ, ধৰ্ম-কৃত্য-উৎসৱ-পাৰ্বন, নাটি-

মানুহ আৰু মনৰ সমন্বয়ত গঢ় লৈ উঠিছে।

বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণ আৰু সমন্বয়ৰ প্ৰক্ৰিয়াৰ জৰিয়তে গঢ় লৈ উঠিছে অসমীয়া সংস্কৃতি।

পৰিৱৰ্তিত সময়ৰ সোঁতত সংস্কৃতিৰ ৰূপান্তৰ ঘটে কিন্তু নিঃশেষ হৈ নাযায়। দেশ, কাল, পাত্ৰভেদে যিদৰে জীৱনৰ সামাজিকৃত ৰূপ দেখা যায় ঠিক সেইদৰে মানুহে সৃষ্টি কৰা সংস্কৃতিৰো ৰূপান্তৰ ঘটে। এটা অঞ্চলৰ সাংস্কৃতিক বৈশিষ্ট্যৰাজিয়ে অঞ্চলটোৰ জন-জীৱনৰ ৰুচি, ঐক্য সংহতিৰ পৰিচয় দাঙি ধৰে। সংস্কৃতিৰ উপাদান স্বৰূপ লোকাচাৰ, জন [illegible] কিংবদন্তী, জনশ্ৰুতি, উৎসৱ অনুষ্ঠান আদি সংস্কৃতিৰ কলিকাবোৰে জনজীৱনক ব্যাপক ভাৱে প্ৰভাৱিত কৰা দেখা যায়। বিভিন্ন অঞ্চলৰ স্বকীয় কৃষ্টি সংস্কৃতিৰ লৈ গঢ় লৈ উঠিছে বৃহত্তৰ অসমীয়া সংস্কৃতি। এই বৃহত্তৰ অসমীয়া সংস্কৃতিৰ মাজত নিহিত আছে ভিন ভিন অঞ্চলৰ আঞ্চলিক বৈশিষ্ট্য আৰু সাংস্কৃতিক ঐতিহ্য।

বাৰেবৰণীয়া অসমীয়া সংস্কৃতিৰ বৰ পথাৰত নলবৰীয়া সংস্কৃতিয়ে বিস্তৃত ঠাই আগুৰি আছে। বিভিন্ন জাতি গোষ্ঠীৰ সাংস্কৃতিক সমন্বয়ত নলবাৰী জিলাৰ সংস্কৃতিয়ে এক সমন্বয়ৰ সংস্কৃতি বুলি প্ৰতিষ্ঠিত হৈছে।

মানুহৰ জীৱনৰ তিনিটা মুখ্য পৰিক্ৰমা জন্ম, মৃত্যু আৰু বিবাহক কেন্দ্ৰ কৰি সমাজত নানা লোকাচাৰ আৰু উৎসৱৰ সৃষ্টি হৈছে। মাতৃ গৰ্ভত অথবা সময়ৰে পৰা মৃত্যুলৈকে জীৱনৰ বিভিন্ন স্তৰ বা অৱস্থাত কিছুমান লোকাচাৰ আৰু অনুষ্ঠান পালন কৰা হয়। এই লোকাচাৰ আৰু উৎসৱ সমূহৰ লগত জড়িত হৈ থাকে পৰম্পৰাগত বিশ্বাস অন্ধবিশ্বাস আত্মসন্তুষ্টি আদি। জীৱনৰ এই উৎসৱ লোকাচাৰ বোৰ উদ্‌যাপন কৰাৰ পৰম্পৰা অঞ্চল ভেদে আৰু জাতি ধৰ্ম, বৰ্ণ নিৰ্বিশেষেও কিছু ভিন ভিন।

# পঞ্চম অধ্যায়

৫.০ : জন্ম সম্পৰ্কীয় লোকাচাৰঃ

লোকাচাৰ বা লোক প্ৰথা হ'ল লোক-সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। লোক সমাজৰ দ্বাৰা পাৰম্পৰাগত ভাৱে পালন কৰা আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বিভিন্ন উৎসৱ-অনুষ্ঠান, ধৰ্মীয় আচৰণ জন্ম, বিবাহ, মৃত্যুৰ সৈতে বিভিন্ন অনুষ্ঠান, লোকচিকিৎসা আদিবোৰ লোকাচাৰ। অসমীয়া সমাজত এই লোকাচাৰ সমূহ ভিন ভিন ৰীতি-নিয়মেৰে পালন কৰা হয়। অসমীয়া সমাজৰ জন্ম সম্পৰ্কীয় লোকাচাৰ সমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল -

৫.১ গৰ্ভাৱস্থাৰ লোকাচাৰঃ

জন্মৰ ক্ষেত্ৰত অসমীয়া সমাজত বিভিন্ন আচাৰ-অনুষ্ঠান পালন কৰা হয়। সন্তান জন্মৰ আগমুহূৰ্তত

...ই গৰাকী সাৱধানে চলা -- খুৱাব লগতে অন্য
... সন্তানটিৰ মংগল কামনা কৰাও নানা
...ত্য পালন কৰা হয়। অসমীয়া গাঁৱলীয়া
...সমাজত পৰম্পৰাগত সংস্কাৰ অনুসৰি এই
...ৱস্থাৰ সময়খিনিত গৰ্ভৱতী মহিলাক ভিমা
...ভু আদি নিচে খাবলৈ দিয়া নহয়।
...কো ৰীৰ হত্যা কৰিলে গৰ্ভস্থ সন্তানটি
...নষ্ট হয় বুলি এনবিশ্বাস চলি আহিছে।
...সন্তান গৰ্ভত থকা সময়ছোৱাত মাতৃয়ে
...দি সৎ চিন্তা, সৎ আদৰ্শ আৰু সৎ সংগ
...লৈ থাকে, তেতিয়াহ'লে সন্তানো সৎ হয়
...আৰু মাতৃত্ব চিন্তাৰ অনুৰূপ সন্তানৰ চৰিত্ৰ
...হয় বুলি আমাৰ মাজত বিশ্বাস আছে।
...আৰু আমাৰ গাঁৱলীয়া সমাজত গৰ্ভৱতী
...মহিলাক নানা শিকলি দিয়ে মেলে —
...ৰ্ভ অৱস্থাত মং-ৰাগ, দুচিন্তা, দুৰ্ভাৱনা, ক্ৰো-

...হ, খোৱা, জুলা চিঙা, নিশা অকলে বাহিৰলৈ
...ৰা আদি কৰিব পাৰা বিৰত থাকিবলৈ
...দেশ কৰে।

...২ : প্ৰসৱৰ সময়ৰ লোকাচাৰঃ

...বাৰী জিলাৰ লোকসমাজত গৰ্ভাৱস্থাৰ
সময়ত গৰ্ভস্থ সন্তানৰ মংগলৰ কাৰণে কিছু
...ন লোকাচাৰ পালন কৰা হয়। নৱ-
বিবাহিত দম্পতীৰ প্ৰথম সন্তানৰ বেলিকা
গৰ্ভাৱস্থাৰ পঞ্চম মাহত এটা শুভ দিন
...ৰ্য কৰি মাহ গৃহৰ লৰা 'পঞ্চামৃত'
খুওৱা হয়। এয়া গাখীৰ, দৈ, গুৰ, ঘিউ আৰু
মৌ ৰে পঞ্চামৃত জুৰেৱা হয়। এই অনুষ্ঠানত
সধবা তিৰোতাৰ প্ৰাধান্য থাকে। পঞ্চামৃতৰ সময়ত
নাৰী গৰাকীয়ে নতুন বস্ত্ৰ পৰিধান কৰিব লাগে।
প্ৰথম গৰ্ভৰ আঠমাহত 'পোহন বিয়া' পতাৰ
উপৰিও আমাৰ সমাজত সাতমাহ আৰু নমাহ
ত জেওৰা পতাৰ নিয়ম আছে। জেওৰা খুওৱা
এই লোকাচাৰটো বিজ্ঞানসন্মত কাৰণ বুলিও
ভাবিব পাৰি। গৰ্ভাৱস্থাৰ সময়ত নাৰী গৰাকী
বহু পৰিমাণে প্ৰ'টিন, ভিটামিনৰ প্ৰয়োজন হয়।
গৰ্ভস্থ সন্তান আৰু নাৰী গৰাকীৰ সুস্বাস্থ্য
কামনা কৰিয়েই আত্মীয় স্বজন,

হৈছে কুটুম্ব সকলোৰে নাৰী পৰাকৰি-
সামৰ্থ্য অনুযায়ী ভুজেৰাটো এটা মংগল
জনক আৰু আনন্দদায়ক কাৰ্য বুলি ভাবি
ছিল। নলবাৰী অঞ্চলৰ হিন্দু-মুছলমান উভয়
সম্প্ৰদায়ৰ লোক সমাজৰ মাজত বেটেৰা
ভুজেৰা প্ৰথাটো প্ৰচলিত হৈ আছে।

## ৫.৩ : অসমৰ পাচুৰ লোকাচাৰ:

অসমৰ পাচুতো নানান সংস্কাৰ মূলক নীতি নিয়ম পালন কৰা হয়। জন্ম হোৱাৰ লগে লগে ল'ৰা সন্তান জন্মিলে উৰুলি, ঘন্টা আদি বজায় আৰু ছোৱালী সন্তান হ'লে কুলাত টেকী আদি দিয়াৰ প্ৰথা আমাৰ জনসমাজত প্ৰচলিত হৈ আহিছে। সন্তান জন্মৰ পিছত বাঁহৰ চেঁচুৰে 'নাভি' কাটি গা ধুৱাই শিশুটিৰ বিচাখন পৰিষ্কাৰ কৰিছিল কেঁচুৱাটিক জন্মৰ পঞ্চম দিনা জিভাত মৌ চেলেকিবলৈ দিয়া হয়। সন্তান আৰু মাতৃক যিটো কোঠাত ৰখা হয় তাত জুই একুৰা বৰি থোৱা থাকে। অসমীয়া সমাজত নৱজাতকৰ 'নাভি' সৰিলে 'নাভি' টো মাকে যতনে থৈ দিয়ে। সন্তানৰ পেটৰ বিষ হলে 'নাভি' টো ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।

সন্তান জন্ম দিয়াৰ পিছত মাতৃগৰাকীক আওটি খুলি দিবা হয়। আৰু নমাহলৈকে তেওঁক কোনেও চুব নোৱাৰাৰ প্ৰথা আমাৰ সমাজত প্ৰচলিত। প্ৰসৱ হোৱাৰ পিছতেই পৰিয়ালৰ বাহিৰে নমাহলৈ কোনো ধৰণৰ মন্দিৰ, পূজা, ধৰ্মীয় অনুষ্ঠান আদিলৈ নাযায়। আনকি ঘৰটো জন্ম হ'লে একমাহ দিনত আৰু ছোৱালী সন্তান জন্ম হ'লে একমাহ একদিনৰ মূৰত অশৌচ গুচাই শুদ্ধি সকাম পতা হয়। অসমৰ ইয়াত ইয়াক আতুৰ গুচোৱা বুলি প্ৰচলিত।

৪ : অন্নপ্ৰাশন:

নৱজাতৰ ছয়মাহৰ পৰা ৭ মাহৰ
ভিতৰত ভাল দিন বাচি অন্নপ্ৰাশন
বা ভাত মুখত দিয়া অনুষ্ঠানটো পতা
হয়। সাংগঠনিক কাৰ্য্য আয়োজনেৰে
এই অনুষ্ঠান পতা হয়। কিছুমানে
ভাগৱত পাঠ কৰে; উচ্চ বৰ্ণৰ লোকৰ
ক্ষেত্ৰত বৈদিক নিয়মেৰে এই অনুষ্ঠানটি
পতা দেখা যায়। অন্নপ্ৰাশন অনুষ্ঠানৰ অন্তত
শিশুটিৰ আগত এখন থালত মাটি একোৰা,
ধান এমুঠি, কিতাপ এখন, কলম এটা আৰু
টকা আদি দিয়া হয়। শিশুটোৱে যিটো বস্তু
হাতত লয় ভৱিষ্যতে সেই বিষয়ত আসক্তি
থাকে বুলি বিশ্বাস কৰা হয়। নিমন্ত্ৰিত অতিথি
সকলে শিশুটিক উপহাৰ দি আশীৰ্বাদ জনায়।

৫.৫: জন্ম সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ:

অসমীয়া সমাজত জন্ম সম্পৰ্কে বিভিন্ন পৰিৱৰ্তনৰ লোকাচাৰ আদি প্ৰক্ৰিয়া দেখিবলৈ পাওঁ। চহৰ- বুলিয়েই নহয় গাঁৱতো লোকাচাৰবোৰৰ পৰিৱৰ্তন হৈ আহি- আছে। উদাহৰণস্বৰূপে আদি প্ৰথমে ক'ব পাৰো খোৱা বোৱাৰ কথাকে। মাক আৰু গৰ্ভস্থিত সন্তান উভয়ৰে মংগলৰ বাবে পুষ্টিকৰ আহাৰৰ প্ৰয়োজন। আগতে পুষ্টিকৰ খাদ্য বুলিলে সাধাৰণতে কিছুমান বিশেষ শাক পাচলি ফল-মূল, ঘিঁউ, গাখীৰ আদিৰ ব্যৱহাৰ হৈছিল। বিশেষ প্ৰকাৰৰ ঔষধি জাত খাদ্য সম্ভাৰ বিচাৰি অনা হৈছিল। সাম্প্ৰতি তেনে ঔষধিজাত সামগ্ৰী প্ৰায় দুষ্প্ৰাপ্য হৈ পৰিছে। পুষ্টিকৰ আহাৰ বুলিলে লোকাই সকলোৱে আজি কাৰখানাত বিভিন্ন ধৰণে উৎপাদিত

ন্যৰ তালিকা। যেনে- বোনভিটা, হৰলিক্স, কম-
লন আদি।
এনে সম্পৰ্কে কিছু বছৰ আগত আমাৰ
অঞ্চলটোৰ গৰ্ভৱতী তিৰোতাই সচৰাচৰ
ৰা ঘৰৰ দৈনন্দিন কামবোৰ, যেনে- ৰন্ধা-
বঢ়া, কাপোৰ ধোৱা, ধান বনা, ঘৰ চোতাল
ফা কৰা, তাঁত বোৱা ইত্যাদি কামবোৰ
কৰিছিল। গাঁৱৰ মানুহৰ বিশ্বাস আছিল যে
এনেবোৰ কাম কৰি থাকিলে গৰ্ভৱতী
ৰও সন্তানৰ নিয়মিত ভাৱে হয়। স্বাস্থ্য
হালে থাকে। প্ৰসৱ বেছি কষ্ট নোপোৱাকৈ
স্বাভাৱিক হয়। কিন্তু এতিয়া নতুনত্বৰ প্ৰভাৱত
গৰ্ভৱতী মহিলা সকলোৱে এনেবোৰ কাম
কৰিলে প্ৰসৱৰ সময়ত জটিলতাই দেখা দিব
বুলি ভাবে, সেই কাৰণে তেওঁলোকে কোনো
ধৰণৰ কঠিন কাম নকৰে।

গৰ্ভৱতী নাৰীৰ চলন ফুৰণতো সমাজে বাধা- নিষেধ আৰোপ কৰে। গ্ৰহণৰ হাবিৰ মাজেৰে আন্ধাৰত, ডাঙৰ বৃক্ষৰ তলেৰে, শ্মশানৰ দাতিমেদি চলা ফুৰা কৰাত বাধা আনহাতে নামঘৰ, মঠ মন্দিৰ আদিলৈ যোৱাটো উৎসৱত যোগদান। সুচিন্তা, ভাল কথা শ্ৰৱণ কৰিলে গৰ্ভত থকা সন্তানৰ বাবে মংগল হোৱা বুলি বিশ্বাস কৰা হয়। এইবোৰ বিশ্বাসক আজি কালিৰ সমাজে উপেক্ষা কৰিব নোৱাৰে।

প্ৰথম সন্তানৰ জন্মৰ ক্ষেত্ৰত গৰ্ভধাৰণ পৰ্যন্ত যোৱা প্ৰথা এতিয়াও আছে। এটা সময়ত গৰ্ভাৱণতে ঘৰতেই সন্তান জন্ম দিছিল। হস্পিতালৰ সুবিধাৰো খুউব কম আছিল। সিহঁতৰ বাবে ঘৰতেই অভিজ্ঞতাৰে কোনো এটাৰ ব্যৱস্থা কৰি লৈছিল। কিন্তু লাহে লাহে পৰিস্থিতিৰ সলনি হৈ আহিল। আগৰ বোৰৰ ঠাইত হস্পিতালৰ

নাৰ্চিংহোমৰ সংখ্যা বাঢ়িল আৰু ঘৰুৱা প্ৰসৱৰ ঠাইত চিজেৰিয়ান অপাৰেচন কৰা হয়।

অসমীয়া সমাজত জন্ম অশৌচ পালন কৰা প্ৰথা চলি আহিছে। আগতে অশৌচীয়া ঘৰত ৰন্ধা খোৱাবস্তু আন মানুহে গ্ৰহণ কৰা নাছিল এতিয়া তেনে নিয়ম শিথিল হৈ আহিছে। আগতে অশৌচ খেদোৱাৰ দিনা পাগ পেলায় কাপোৰ কানি ধোৱা চোতাল মচিয়া আদি লেপি মচি শুদ্ধ কৰে। বাটিত এৰাঁ গাখীৰ তুলসী পাত আদিৰ পানী ছটিয়াই শুদ্ধিকৰণ কৰিছিল, সেইদিনা ঘৰতে আইসকলৰ নাম পাতে, আজিকালি জন্ম অশৌচৰ ক্ষেত্ৰত তেনেকুৱা বিশেষ গুৰুত্ব নিদিয়া হৈ আহিছে। মাতৃ-দুগ্ধই কেঁচুৱাৰ প্ৰধান আহাৰ। জন্মলগ্নত নৱজাতকক মুখত প্ৰথমতে মৌ দিয়া হৈছিল এতিয়াৰ দিনত চিকিৎসালয়ত এনেধৰণৰ কোনো সুবিধা নাই,

আজিকালি বহু মাতৃয়ে কেঁচুৱাক বেছি দিন
ধৰি স্তনপান কৰাব নোখোজে। তাৰপিছতে লুখৰী
পকা কল আদি কেঁচুৱাক খাবলৈ দিছিল।
প্ৰক্ৰিয়া সেইবোৰৰ ঠাইত বজাৰত পোৱা
বিবিধ পিণ্ডৰ খাদ্যই।

ওপৰত আলোচনা কৰাৰ
পৰা আমি জন্ম সম্পৰ্কত কেইখিনি
পৰিৱৰ্তন আৰু বিশ্বাসৰ প্ৰভাৱৰ প্ৰক্ৰিয়া
দেখিবলৈ পাওঁ।

# ষষ্ঠ অধ্যায়

## .৩০ : বিবাহ সম্পৰ্কীয় লোকাচাৰ:

লোকাচাৰ বা লোক প্ৰথা লোক সংস্কৃতিৰ ক বিশিষ্ট অংগ। পৰম্পৰাগত জীৱনৰ এক- ৰকাৰে সামাজিক লোকাচাৰবোৰ বুলিব পাৰি। সমাজ আৰু পৰিয়ালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি আদি পৰম্পৰাগত জীৱনৰ ভিতৰত পৰে। এজন ব্যক্তিৰ জীৱনত প্ৰধানকৈ তিনিটা উৎসৱ উদ্‌যাপন কৰা হয়। সেইকেইটা- হ'ল- জন্ম, মৃত্যু আৰু বিবাহ। এই- তিনিটা উৎসৱ সকলো সমাজতে নানা নীতি- নিয়ম, আচাৰ-পদ্ধতি আদিৰ মাজেৰে সম্পন্ন হয়। তলত বিবাহ সম্পৰ্কীয় লোকা- চাৰ সমূহৰ বিষয়ে আলোচনা কৰা হওক।

৬.৩ : জোৰোণৰ লোকাচাৰ:

অসমীয়া বিবাহৰ আগত পতা অনুষ্ঠানৰ ভিতৰত জোৰোণ অন্যতম। বিয়াৰ এদিন বা দুদিন আগতে দৰাপক্ষৰ নিৰ্দ্ধাৰিত কিছুমান ব্যক্তিয়ে কইনাঘৰলৈ তেলৰ ভাৰ নিয়ে। তেলৰ ভাৰ নিবলৈ ওলোৱা যাত্ৰাকালত আয়তী সকলে উৰুলি ধ্বনি দিয়ে তেলৰ ভাৰত যোৱা মানুহৰ সংখ্যাও অযুগ্ম হ'ব লাগে। বুলি কোনো কোনোৱে বিশ্বাস কৰে। তেলৰ ভাৰত কইনা সজাবলৈ তেল, সেন্দুৰ, আঙঠি, ঘড়ি, পাটৰ মেখেলা চাদৰ আৰু আন সাজপাৰ আৰু অলংকাৰৰ উপৰিও এটা ডাঙৰ বাকলি থকা মাছ, এখোক তামোল পানৰ সোপা আৰু এটা দৈৰ টেকেলি লগত নিয়া হয়। তেলৰ ভাৰ দিয়া অনুষ্ঠানটো এটা জাক জমকতাৰে পূৰ্ণ অনুষ্ঠান। তেলৰ ভাৰ লৈ কইনা ঘৰত উপস্থিত হোৱাৰ লগে লগে আদৰ সাদৰেৰে সম্ভাষণ জনাই আদৰি নি চোতালৰ সু-সজ্জিত আসনত বহুওৱা হয়। চোতালত সমাজৰ আগত

কইনাক উলিয়াই আনি দৰাৰ ভনীয়েকে তেল সানি, সূৰ খনিয়াই উৰ্ণি শিৰত আৰু কপালত সেন্দুৰ পিন্ধাই পাতৰ কাপোৰ গাত উৰিয়াই দিয়ে। আয়তী সকলে উৰুলি দি গীত গায়। কইনা ঘৰত দৰাৰ ভিনিয়েক বা অন্য এজন বয়জ্যেষ্ঠ লোকে কইনাৰ হাত ধোৱা প্ৰথা আছে। তেওঁৰ ভাৰ দিবলৈ অহা মানুহখিনিৰ জলকে আপ্যায়িত কৰাৰ পিছত কইনাই শৰাই এখনত বস্ত্ৰ আৰু তামোল পাণ দি সেৱা কৰে। এই প্ৰথাটোক 'কইনাই মান ধৰা' বুলি কোৱা হয়। মুছলমান সম্প্ৰদায়ৰ মানুহখিনিৰ আগতো তেল দিয়া প্ৰথা আছে।

: খাটিৰ ভাৰ :

খাসাভাৰ দিয়া এটি বিবাহ পূৰ্ব অনুষ্ঠান। দৰা কইনা দুয়ো পক্ষৰ পছন্দ হোৱাৰ পিছত দুয়ো পক্ষৰ আলোচনা মৰ্মে দৰা ঘৰৰ পৰা কইনা ঘৰলৈ আহে। দলটো অযুগ্ম হ'ব লাগে। অৰ্থাৎ পাঁচ, সাতজন বা এঘাৰ জনীয়া হ'ব লাগে। খাসা ভাৰত কলৰ ভাৰৰ লোক; দৈ, গাখীৰ, ভাতৰ বাকলি থকা

মাছ, তামোল পাণ আৰু কইনাঘৰনীৰ কাৰণে
কাপোৰ এযোৰ কালৈৰ নিয়া হয়। উপস্থিত
দেৱতা উপস্থিত অঞ্জলিৰ ধ্বনি কৰি উৰুলি-
দি বস্তু কেইপদ আটায়ে হাতত তুলি লৈ
খাদ্যভাৰ দিবলৈ যাওনা হয়। দৰাঘৰৰ পৰা
কইনা ঘৰলৈ ভাৰ নিয়াৰ সময় বাদ্য-
ভেঁপুৰে ঢিক ঢিক কৰা। খালিপাত দিয়া।
ঢোল কাঁহবাৰে বা বা কৈ চিঞৰা হৈকৈ
চাব শুনা আমংগলৰ দিন মুকলি কিছুমান
লোকে বিশ্বাস কৰে। খাদ্য ভাৰত আনা
মাখীৰ, কল, মাছ ওচৰ চুবুৰীয়া লোকক
ভগাই দি বিয়াৰ আমনী দিয়া হয়। ভাৰ-
আনা মানুহকেইজনক ভালকৈ আপ্যায়িত
কৰা হয়। কোনো কোনো ঠাইত আমেলী-
মিলিজনাই বিয়াৰ দিন নিৰ্ধাৰণ কৰে।
উচ্চ বৰ্ণ লোকৰ মাজত 'খাদ্য ভাৰ'
দিয়া প্ৰথাই নাই। মুছলমান সম্প্ৰদায়ৰ
লোকৰ মাজত খাতিৰ ভাৰ দিয়া প্ৰথা
প্ৰচলিত হৈ আছে।

৮.২ : বিয়াৰ দিনটোৰ লোকাচাৰ:

বিবাহ হৈছে জীৱনৰ এক বিশেষ অনুষ্ঠান। উৎসৱত ব্যক্তিজনে নিজে আনন্দভোগ কৰে। অসমীয়া সমাজৰ বিভিন্ন ৰীতি-নীতি, আচাৰ ব্যৱহাৰ পদ্ধতি আদিৰ ভিত্তিতে এই বিবাহকাৰ্য সম্পন্ন কৰা হয়। সমাজৰ সকলো লোকেই আনন্দ উপভোগ কৰে।

বিবাহৰ দিনটো অতি ব্যস্ততাপূৰ্ণ দিন। সেইদিনা অসমীয়া সমাজত বহুতো লোকাচাৰ পালন কৰা হয়। যেনে:

পানী তোলা: বিয়াৰ দিনা দৰা কইনাক গা-ধুৱাবৰ বাবে নদীৰ পাৰ বা ওচৰৰ পুখুৰীৰ পৰা পানী তুলি অনা প্ৰথা আছে। পানী তুলিবলৈ যাবলৈ দিয়া- ঘৰীয়া আয়তী সকলে আগদিনাই তামোল পানেৰে নিমন্ত্ৰণ দিব লাগে। বিয়াৰ দিনা ৰাতিপুৱা আয়তী সমন্বিতে দৰা বা কইনাৰ মাক- বায়েক হঁতে কাষত কলচি লৈ ঢোলি দি- গীত গাই গাই পানী তুলিবলৈ পাঁচটা বা সাতটা-

পাত্ৰ সাজু কৰি ৰখা হয়। এটা কলচি আৰু বাকী কেইটা আটিৰ ঘটা পাত্ৰ কেইটাৰ গাত সেন্দুৰৰ ফোঁট দি গলত ৰঙা সূতা বা বগা সূতাৰে মাৰি দিয়া হয়। পানী তুলিবলৈ মাতৃয়ে আয়তী সকলৰ লগত বেণ্ড পাৰ্টিৰ দলটো লগত লৈ যায়। দৰা বা কইনাৰ মাকে এখন কাঁহৰ থালত তামোল পাণ এযোৰ ঘিউৰ চাকি এগছি, ডেকুৰা কটাৰী লৈ যায়। নদীৰ পানীত বা পুখুৰীৰ পানীত নামি জলদেৱতাক প্ৰণাম জনাই কটাৰীৰে পানী কাটে। পানী কটা সময়ত আয়তী সকলে উৰুলি দিয়ে। তামোল পাণ আৰু পইচা পানীত পেলাই দি কলচি আৰু ঘটত উৰুলি দি পানী ভৰাই লয়। দুওৰা বোলে কলচি বা ঘটত ভৰাই অনা পানী মংগলজলৰ লেখীয়া পবিত্ৰ জ্ঞান কৰা হয়। ঘটত লৈ অহা পানী মিনি চাদৰৰ আঁচল বা গামোচাৰে ঢাকি গৃহলৈ লৈ অহা হয়। বিয়া ঘৰৰ পদূলি মুখত আৰি থোৱা সাৰমালা বা চাকি মালাৰ তলেৰে আয়তী সকলে বিয়াঘৰত প্ৰৱেশ কৰিব লাগে। পানী তুলি অনা আয়তী সকলক আপ্যায়িত কৰা হয়।

চাহক 'পানী তোলা চাহ' বুলি কোৱা হয়।
তাৰ পিছত তুলি অনা পানীৰে কলগছৰ
ভুৰিত দৰা বা কইনাক বহুৱাই মাহ,
হালধী ঘহাই গা ধুৱায়। আয়তী সকলে
দৰা বা কইনাক উপলক্ষ্য কৰি গীত গায়।
সুৱাগ তোলাঃ দৰা বা কইনা ধুওৱাৰ পিছত
সাধাৰণতে সন্ধিয়া আয়তী সকলে গীত গাই
গাই সুৱাগ তোলিবলৈ যায়। সুৱাগৰ চাউলৰ
বাবে বিয়াৰ আগতে আয়তী সকলে ঢেকীত
সেন্দুৰৰ ফোঁট দি দৰা বা কইনাৰ মাক,
বৌৱেক, ককায়েক হতক উদ্দেশ্য কৰি হাস্যৰ-
সাত্মক বিয়া গীত গাই সুৱাগ তোলিবলৈ যাওঁতে
এখন শৰাইত পাঁচটা ৰকি ধান, মাহ, দৈ, গাখীৰ
আদিৰ সৈতে মাটিৰ ঘটত আম, পাত
সৌ দুনীত চাকি, কল, তামোল, পাণ
আদি দিয়া হয়। সুৱাগ তোলিবলৈ যাওঁতে
পানীৰ ঘাটত আয়তী সকলে বিয়া গীত
গায় — সুৱাগ তোলা তিৰিতাকে চিন্ চিন্ কৰে
তই আহিছা সুৱাগ তোলকা
লালেক নিলাক ছুবে।

দৰা বা কইনাৰ মাকে, মিতনীয়ে দুৱাৰ ডিমলী গৈ জলদেৱতাক প্ৰণাম জনাই এবুকু পানীত নামি ডুব মাৰি কলহত পানী ভৰাই আনে। পানীৰ ঘাটত কাপোৰ মেলাই আমতী সমাপিতে বিবাহ স্থলীলৈ উভতি আহে। যোতোপাত কৰা অৰ্থাৎ দৰা বা কইনাৰ ঘৰৰ ওচৰত এখন চাংৰ দুইগৰাকী আমতীয়ে মুখেপানী মেলি ধৰে। অনুৰাগ ভাৰা আমতী গৰাকীয়ে ঘৰত চাউলৰ পানীটো লৈ তিনিবাৰ চাউল চটিয়ায়। সেই চাউলখিনি চাংৰ তল ধৰি থকা আমতী দুগৰাকীয়ে দৰা বা কইনাৰ গাত পেলাই দিয়ে। এনেকৈ তিনিবাৰ বা পাঁচবাৰ চটিয়ায়। তাৰ পিছতহে তিৰোতা গৰাকীয়ে মুখৰ পানী পেলাব পাৰে। আৰু দৰা বা কইনাও ঘৰৰ ভিতৰত সোমাব পাৰে।

এনেদৰে নানা নীতি নিয়মৰ মাজেৰে অসমীয়া বিবাহ অনুষ্ঠানৰ সমাপ্তি ঘটে।

## ৬.৩ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱঃ

অসমীয়া সমাজত বিবাহ সম্পৰ্কীয় লোকাচাৰৰ ক্ষেত্ৰত এতিয়া বহুতো পৰিৱৰ্তনে দেখা দিছে। আৰু নতুনত্বৰ প্ৰভাৱ পৰিছে।

বিবাহ কৰ্ম সম্পাদনাৰ আৰম্ভিক পৰ্যায় হ'ল বৈবাহিক সম্বন্ধ স্থাপনৰ প্ৰস্তাৱ বা দৰা কইনা ঠিক কৰা। পৰম্পৰা অনুযায়ী দৰা-কইনাৰ ৰাশি মোৰা মিলনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। কোনোৱে ৰাশি-মোৰা মিলনৰ পিছতহে বিবাহৰ প্ৰস্তাৱত আগ বাঢ়ে। অইনে দৰা কইনা পছন্দ কৰাৰ পিছতহে ৰাশিফল চায়। দৰা - কইনা পছন্দ হ'লেও ৰাশি মোৰা নাহিলে সিমানতে প্ৰস্তাৱৰ সমাপ্তি ঘটে। এতিয়া বহুতেই ৰাশিফলৰ ওপৰত গুৰুত্ব নিদিয়া হৈ আহিছে।

কইনা চোৱা পৰ্বৰো পৰিৱৰ্তন ঘটিছে। এটা সময়ত ছোৱালীৰ মতামতৰ ওপৰত কোনো প্ৰাধান্য দিয়া নহৈছিল। অভিভাৱকে নিৰ্বাচন কৰা পাত্ৰক ছোৱালীয়ে বিনা প্ৰতিবাদে স্বামী হিচাপে বৰণ কৰিছিল। কম বয়সতে ছোৱালী বিয়া হৈছিল। কম বয়সীয়া কোমল মনৰ

জোনালী, স্বল্পশিক্ষিতা, নিজৰ মতামত বুলিবলৈ একেবাৰেই নাই। নতুন ঘৰ এখনত প্ৰৱেশ কৰি যিহেতু ঘৰৰ সংস্কৃতি আনি নিজকে খাপ খুৱাই লোৱাটোতে জোনালী কৃতিত্ব। এষাৰ কথা আছে - "মাছ মৰবা পানীলৈ যাবা, মানুহৰে মৰবা বোৱাৰী পাবা" মানুহবোৰে নিজৰ মতে শিকাই বুজাই ন জোনালীক ঘৰখনৰ উপযোগী কৰি লয়। এতিয়া অৱস্থাৰ সলনি হ'ল। জোনালীৰ বিয়াৰ বয়স বাঢ়ি আহিল। উপযুক্ত শিক্ষা গ্ৰহণ কৰাৰ পূৰ্বে জোনালীয়ে বিয়াত বহিবলৈ মন নকৰে। পিছে মাহঁতেও জোনালীক সু-শিক্ষিতা কৰিহে পাত্ৰস্থ কৰিব বিচাৰে। নাৰী শিক্ষাৰ প্ৰসাৰ বিবিধ দিশৰ কৰ্মত নাৰীৰ যোগদান, সমাজত নাৰীৰ নৱলব্ধ স্থান, আদিয়েই এই বিষয়ত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে। কম সময়ত বিয়া হোৱাটো বিধি সংগত নহয়। ল'ৰাও উপাৰ্জন ক্ষম হৈ নিজকে সু-প্ৰতিষ্ঠিত নকৰালৈকে সংসাৰ পাতিবলৈ আগবাঢ়িব নোখোজে। এই প্ৰসংগত আন এটা কথা উল্লেখযোগ্য - পূৰ্বে দৰা বা কইনা বিচাৰি বাতৰি কাকতত জাননী দিয়াৰ কথা গুৱাহাটীৰ অসমীয়া মানুহে ভাবিবই নোৱাৰিছিল। সাম্প্ৰতিক কালত এনে ধৰণৰ জাননীও চকুত পৰে।

এটা সময়ত লৰাৰ আপোন মানুহে-
ছোৱালী চাব যোৱা নিয়ম আছিল। পছন্দ কৰি
বিয়াৰ প্ৰস্তাৱ দিয়ে। এতিয়া লৰা ছোৱালীক মিলা
মিছা কৰিবলৈ দিয়া হয়, যাতে সিহঁতে ইজনক-
সম্যকভাৱে হ'লেও জানিব পাৰে। বিয়াৰ-
আগতে লৰা ছোৱালীয়ে একেলগে ঘূৰি-
ফুৰাটো সমাজে পছন্দ নকৰিছিল। এতিয়া-
এনেবোৰ বাধানিষেধ নাইকিয়া হৈ আহিছে।

বিবাহৰ নিমন্ত্ৰণ জনোৱাৰ-
পদ্ধতিৰ আমূল পৰিৱৰ্তন হ'ল বুলি ক'লেও
একো বেয়া কোৱা নহয়। পূৰ্বে এই কামটোৰ-
বাবে চাইকেল অথবা সম্বন্ধীয় কোনো লৰা
বিচৰা হৈছিল। তেওঁহতে যোনাত তামোল-
পাণ, এখন শৰাই, শৰাই চাকনী আৰু-
নিমন্ত্ৰণী পত্ৰ লৈ নিমন্ত্ৰণ জনাবলৈ আহিছিল।
এতিয়া তামোল-পাণ দি নিমন্ত্ৰণ কৰা প্ৰথা-
নাইকিয়া হ'ল। মাক বা দেউতাকে নিজে গৈ-
নিমন্ত্ৰণ জনায়। চিঠি এখন দি আহে। নিজে গৈ
নামাতিলে আত্মীয়বিলাকে বহুতেই নিমন্ত্ৰণ
ৰক্ষা কৰিব নোখোজে। হয়তো কেতিয়াবা-
এনেকুৱা দিন আহিব নিমন্ত্ৰণী পত্ৰ বাহক
বা ডাকঘৰ যোগে প্ৰেৰণ কৰা হ'ব। টেলিফোন
যোগেও নিমন্ত্ৰণ জনাব পাৰিব। সমাজত এনে

পৰিবৰ্তন মানি চলিবলৈ বাধ্য হৈ পৰিছে।
পৰিয়াল বংশ অঞ্চল আদি ভেদে লোকাচাৰত থকা বিভিন্নতা সৰ্বজনবিদিত। ক্ৰিয়া-এদিনীয়া, দুদিনীয়া, তিনিদিনীয়া, পাঁচদিনীয়া আদি হ'ব পাৰে। দিন অনুসৰি হয় ভোৰোণ বা তেলৰ ভাৰ দিয়াৰ পৰা। সময়ৰ সৈতে ভোৰোণত ভাগ লোৱা ব্যক্তিৰ সংখ্যা আৰু বস্তুৰ তালিকাৰ দৈৰ্ঘ্য সলনি হ'ল। পিছে ভোৰোণত কইনাৰ বাবে কাপোৰ, আনকাটা কাপোৰ মেখেলা, এপাদ বা দুপাদ অলংকাৰ, তেল, সেন্দুৰ, মাছ, তামোল-পাণ প্ৰভৃতি কিছুমান দ্ৰব্য অপৰিহাৰ্য। এতিয়া বস্তুৰ তালিকা-দিনক দিনে দীঘলিব পাৰা ইমান বেছি দীঘলীয়া-হৈ আহিছে যে তাৰ শেষ-জোখ নোহোৱা-হৈছে। এসময়ত পৰিয়ালভেদে কেইগৰাকীমান ব্যক্তি হে ভোৰোণ দি আহিছিল। এতিয়া বৰ-যাত্ৰীৰ নিচিনা ভোৰোণ যাত্ৰা হয়। এটা সময়ত ভোৰোণত যোৱা লোকসকলক কইনা ঘৰে চাহ জলপানেৰে আপ্যায়িত কৰিছিল। এতিয়া দেখা যায় ভোৰোণৰ সময় এনেভাৱে স্থিৰ-কৰে যাতে দুপৰীয়াৰ সাজ খোৱাৰ সময়ত পাৰে অৰ্থাৎ কইনাঘৰে বৰ-যাত্ৰীক ভোজ-ভাতেৰে আপ্যায়ন কৰাৰ দৰে ভোৰোণ যাত্ৰীক

এনে ধৰণে শৌচ পেচ্ছ কৰিবলগীয়াও পৰে। তেনেকৈ বেচ অসুবিধাপূৰ্ণ অনুষ্ঠান হৈ পৰিছে।

আগতে বিয়াৰ কেইদিন মান আগৰ পৰা ৰভা সজা পৰ্ব আৰম্ভ কৰিছিল। মহিলা আৰু পুৰুষৰ বাবে বেলেগ বেলেগ ত্ৰিপাল, দলিচা আদি পতা হৈছিল। আগতে গাঁৱৰ সকলোৱে ৰাইজে লগ লাগি ৰভা ঘৰ প্ৰস্তুত কৰিছিল, এতিয়া তেনে নহয়। এতিয়া ঘৰৰ সৈতে বেছিভাগ বিয়া বিয়াভৱনত পতা হয়। তাত ৰখা মেলা, ৰন্ধা-বঢ়া, খোৱা-বোৱা কোনো বিষয়েই বিশেষ ভাবিবলগীয়া নহয়। কেৱল টকাৰহে প্ৰয়োজন।

এটা সময়ত দৈ, চিৰা, কোমল চাউল, মিঠাই এয়েই আছিল বিয়াৰ জলপান। পিছলৈ লুচি-ভাজি, তৰকাৰী, দৈ, মিঠাই আদিৰে নিমন্ত্ৰিত সকলক আপ্যায়ন কৰা আৰম্ভ হ'ল। এতিয়া আকৌ আগৰ ধৰণৰ জলপানৰ সৈতে পোলাও, মাংস, মাছ, পনিৰ, পাৰ্বা, বিবিধ তৰকাৰী আদিয়ে ঠাই পালে। তাৰ লগতে মিঠাই, আইচক্ৰীম আদিয়েও ঠাই পালে। আগতে বিয়ালৈ [illegible] পাৰত লোকক নিমন্ত্ৰণ জনোৱা হৈছিল, সময়ৰ উল্লেখ নাছিল।

প্ৰতিমা নিৰ্দিষ্ট সময় ধৰি দিয়ে। প্ৰতিমা দক্ষিণ ভাৰতীয়, উত্তৰ ভাৰতীয় আনকি পাশ্চাত্যৰ আহাৰৰ ব্যৱস্থাও কৰা দেখা যায়। পৰিৱেশনৰ ক্ষেত্ৰতো নানান পৰিৱৰ্তন দেখা দিছে। পূৰ্বে নিমন্ত্ৰিত লোকসকল আহে, মুখতে আদৰণি জনাই তেওঁলোকক ভিতৰ তলৈ আনি বহুৱাই দি আমোদ চাহি খাটি সেই পিছে কৰা হয়। তাৰ পিছত খোৱাৰ ব্যৱস্থা কৰে। আগতে কলপাত, কলডোনা বা পাটুৰাত খোৱা বস্তু পৰিৱেশন কৰা হৈছিল। প্ৰতিমা কলপাত, কলডোনা বা পাটুৰাত হৈতে বাহিৰৰ পৰা আহা একান শালপাতৰ থাল বাটি ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে। তাৰ পিছত কাগজ, প্লাষ্টিক চীনা মাটি আদিৰ থাল। মাটিৰ গিলাচৰ ব্যৱহাৰ নাইকিয়া হৈ আহিছে। প্ৰতিমা প্লাষ্টিকৰ গিলাচৰ পাছোৱৰ।

লাহে লাহে পৰিৱেশন পদ্ধতিৰ ক্ষেত্ৰত সকলোবোৰ বস্তুৱেই সলনি হৈ আহিছে। পূৰ্বে জলপানৰ লগত চাহ দিয়া নহৈছিল, প্ৰতিমা একেবাৰে চাহ খাবৰ ব্যৱস্থা আৰু তাৰ পিছত পিঠা পনা, মিঠাপান, সৰুপা আদিৰ ব্যৱস্থা। কোনো কোনো বিয়াত সুৰাপানৰো ব্যৱস্থা থাকে।

আগতে ঢুলীয়া ঢোলৰ বা বেণ্ডপাৰ্টি বিবাহ অনুষ্ঠানৰ এক বিশেষ অংগ আছিল। ঢোল বা বেণ্ডৰ শব্দৰ পৰাই জনা যায় কাৰোবাৰ ঘৰত বিয়াৰ আয়োজন চলিছে। এতিয়া ঢুলীয়া দল বা বেণ্ড পাৰ্টিৰ ঠাইত মাইকত ইলেক্ট্ৰনিক সংগীত পৰিবেশন কৰা আৰম্ভ হ'ল। কিছু বছৰ পিছত মাইকত গীত বজোৱা পুৰণি হৈ গ'ল। আৰম্ভ হ'ল ৰাতি দুই-ধৰত বাজি থকা সানাই যন্ত্ৰ সংগীত প্ৰতিয়া চকুত পাৰে। সংগীতৰ লগত তাল মিলাই ডেকা-গাভৰু, লৰা-ছোৱালীৰ পাশ্চাত্যধৰ্মী নৃত্য।

অসমীয়া মানুহৰ বিয়াত বিয়া-নামৰ ভূমিকাৰ আলোচনা নিষ্প্ৰয়োজন। পানী তুলিবলৈ যোৱা, নোওৱা, অধিবাস, গোচৰাণ, ক্ষুৰাশুৰি খেলা, দৰা আদৰা, কন্যা সম্প্ৰদান, কইনা বিদায় ইত্যাদি নানা সময়ত আয়তী সকলে সেইবোৰৰ লগত সংগতি ৰাখি বিয়া নাম গাইছিল। বিয়ানাম হৈছে এক প্ৰকাৰৰ প্ৰতিযোগিতা স্বৰূপ বুলি কব পাৰি। পিছে সময় যোৱাৰ লগে-লগে এইবোৰৰ প্ৰতি আকৰ্ষণ কমি আহিল। কিন্তু সেইসৱৰ

আৰ্চমণ্ডলা একপ্ৰকাৰ একেবাৰে মঙ্গল অনুষ্ঠান এই অৰ্থত যে নিৰ্দিষ্ট দিনত দৰা কইনা ঘৰলৈ আহি আলধৰে — ভাত এসাজ খুওৱা হয়। এতিয়া আৰ্চমণ্ডলা তেনে সৰু অনুষ্ঠান হৈ থকা নাই। বস্তুতে নিমন্ত্ৰণ কৰি ডাঙৰকৈ ভোজ ভাতৰ আয়োজন কৰা দেখা যায়।

পৰম্পৰা বিবাহ বিচ্ছেদৰ প্ৰতি হিন্দু ধৰ্মৰ সমৰ্থন নাই। অৱশ্যে স্বামী স্ত্ৰীৰ মাজত এৰাএৰি হোৱাটো স্বাভাৱিক। এতিয়া বিবাহ বিচ্ছেদ আইন সংগত হ'লো তথাপি বিবাহ বিচ্ছেদ হোৱা নাৰীক আগৰ দৰে সমাজে সন্মানৰ চকুৰে নাচাইছিল। এতিয়া অৱস্থাৰ সলনি হ'ল। তেনে নাৰীক আগৰ দৰে সমাজে বেলেগ চকুৰে নোচোৱা হ'ল। নতুনকৈ স্বামী গ্ৰহণ কৰাটোও অস্বাভাৱিক ঘটনা হৈ পাৰিল।

বিবাহৰ লোকাচাৰৰ সম্পৰ্কত

আমাৰ সমাজৰ বিবাহৰ মাজত আৰু এতিয়া — অসমীয়া সমাজৰ বিবাহৰ মাজত কেইখিনি পৰিবৰ্তন আৰু নতুনত্ব আহি পৰিল।

# সপ্তম অধ্যায়

৭.০০

## : মৃত্যু সম্পৰ্কীয় লোকাচাৰ :

মানৱ জীৱনৰ জন্মৰ পৰা মৃত্যুলৈকে সমগ্ৰ জীৱনৰ বিভিন্ন কৰ্মৰ লগত জড়িত নীতি-নিয়মৰ সমষ্টিয়েই হৈছে লোকাচাৰ। অসমীয়া লোকাচাৰ সমূহৰ লগত বিভিন্ন জাতি-জন জাতিৰ উপাদান বা ৰীতি-নীতিৰ সংমিশ্ৰণ ঘটা দেখা যায়। মৃত্যুৰ লগত পালনীয় কিছুমান শাস্ত্ৰ বিহিত নীতি-নিয়ম বা লোকাচাৰ নলবৰীয়া সমাজত চলি আহিছে। কিছুমান নীতি-নিয়ম আছে লোকবিশ্বাস বা অন্ধবিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত। অসমীয়া সমাজত প্ৰচলিত মৃত্যু সম্পৰ্কীয় লোকাচাৰ সমূহ তলত আলোচনা কৰা হওক।

৭.২ : দাহনৰ সময়ৰ লোকাচাৰ:

মৃত্যু মানৱ জীৱনৰ এক চিৰন্তন সত্য। কোনো মানুহে মৃত্যুৰ পৰা হাত সাৰিব নোৱাৰে। অসমীয়া সমাজত মৃত্যুৰ সময়ত বিভিন্ন ধৰণৰ লোকাচাৰ পালন কৰে। যেনে: ব্যক্তিজনৰ ওচৰত গীতা, ভাগৱত আদি পাঠ শুনোৱা হয়, যাতে শেষ সময়ত আত্মাই মায়া - মোহৰ পৰা মুক্ত হয়। শেষ নিশ্বাস পেলোৱাৰ লগে লগে মৃতদেহটো ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ উলিয়াই চোতালত উত্তৰ মূৰাকৈ চাৰি - পাটৰ ওপৰত শুৱাই দিয়া হয়। মূৰৰ শিতানত এগছি চাকি; ধূপ - ধূনা জ্বলাই ৰখা হয়। মৃত দেহটো বগা কাপোৰেৰে ঢাকি ফুল ছটিয়াই দিয়ে। মৃতকক শ্মশানলৈ নিয়াৰ উদ্দেশ্যে বাঁহৰ চাঙি এখন গাঁৱৰ মানুহে তৈয়াৰ কৰি দিয়ে। মৃতদেহ শ্মশানলৈ নিয়াৰ আগতে ঘৰৰ সকলোৱে মৃতকৰ প্ৰতি মূৰ দোৱাই সেৱা আগবঢ়ায়। তাৰ পিছত সৰু বা ডাঙৰ পুতেকক মুখাগ্নি কৰিবলৈ দিয়া হয়। শ্মশানত সৎকাৰ কৰি দিয়া ব্যক্তিকেইজনে নিজ নিজ ঘৰলৈ ঘূৰি আহি কাপোৰ

কানি তিয়াই গা ধুই সোতালত প্ৰকুৰা ধুই ধৰি এটা শিলত ভৰি থৈ জুইৰ তাপ লৈহে ঘৰৰ ভিতৰত প্ৰৱেশ কৰে। এনে বিশ্বাস মতে শ্মশানৰ পৰা উভতি আহোঁতে অপদেৱতা লগত আহিব পাৰে গতিকে ধুই স্নান কৰিলে অপদেৱতা আঁতৰি যায় বুলি সমাজে বিশ্বাস কৰে।

৭.২ : দাহনৰ পাছৰ লোকাচাৰ:

মৃত দেহটো দাহনৰ পাছত অস্থি আনি ঘৰত ৰখা হয়। পিণ্ডদান কাৰ্য সূৰ্য্যাস্তৰ আগতে সম্পন্ন কৰা হয়। দহাৰ দিনা পুত্ৰ সন্তানে মুণ্ডন কৰে। অৱশেষ কিছুমানে তেৰদিন আৰু আন কিছুমানে এঘাৰদিনত পিণ্ডদান দিয়ে। মূল শ্ৰাদ্ধৰ দিনা মাছ-মঙহকে ধৰি মৃতকে ভাল পোৱা সকলো ব্যঞ্জন আৰু ভাত, চিৰা-পিঠা আদি কলপাতৰ সহায়ে পিণ্ড দিয়া হয়। শ্ৰাদ্ধৰ তিনিদিনত বাইগৰ মাছ-মঙহেৰে ভোজ ভাত দিয়ে আৰু গৃহস্থৰ ঘৰে নিৰামিষৰ পৰা ভাঙিব পাৰে। অসমীয়া সমাজত প্ৰথম বছৰত মৃতকৰ উদ্দেশ্যে প্ৰতিমাহে নাম, প্ৰসংগ, ছয়মাহত ছয়মাহিলা আৰু বছৰেকত বছৰকীয়া শ্ৰাদ্ধ কৰা হয়। মৃতকৰ সন্তানে এবছৰলৈ অন্য মানুহৰ ঘৰত অন্নগ্ৰহণ কৰিব নালাগে বুলি বিশ্বাস চলি আহিছে। মৃত্যুৰ এবছৰৰ ভিতৰত মৃতকৰ অস্থি তীৰ্থত বিসৰ্জন দিব পাৰিলে মৃত জনৰ কল্যাণ হ'ব বুলি কামনা কৰা হয়। এনেদৰে, অসমীয়া সমাজত মৃত্যুৰ পাছত লোকাচাৰ বোৰ এতিয়া হৈ থকা দেখা যায়।

৭.৩

## : মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বাসৰ প্ৰভেদ:

শাস্ত্ৰীয় বিধি বিধান অনুসৰি মৃতকৰ অন্ত্যেষ্টি ক্ৰিয়া সম্পন্ন কৰা বিষয়ত এতিয়াৰ সমাজ- আৰু আগৰ সমাজত বহুতো বহুতো পৰিৱৰ্তন দেখিবলৈ পাওঁ। অৱশ্যে ব্ৰাহ্মণ্য নিয়ম পৰিত্যাগ কৰি শংকৰী পন্থী হোৱা পৰিয়ালবোৰৰ কথা সুকীয়া। কিন্তু এতিয়া দুয়ো পন্থীয়েই দহাৰ- দিনা মুণ্ডন কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰা হৈছে। তদুপৰি আগতে এমাহত মৃত্যু অশৌচ খেদোৱা বহুতো পৰিয়ালে এতিয়া তেৰাদিনীয়া বা এঘাৰদিনীয়া হৈছে। এইবোৰৰ লগতে মৃতকৰ লোকাচাৰৰ ওপৰত বহুতো পৰিৱৰ্তন সৰ্বাধিকভাৱে দৃষ্টিপাত কৰা হৈছে।

যথাসম্ভৱ শীঘ্ৰে শৱ সংকাৰ কৰা প্ৰথা অসমীয়া সমাজত প্ৰচলিত যদিও; পুত্ৰ বা আপোন লোকৰ অপেক্ষাত কেতিয়াবা তেনে কৰাত পলম হৈছিল। কিন্তু বৰ্তমানে বহুতেই ৰাতি শৱদাহ কৰিবলৈ আগ্ৰহ নকৰে। ৰাতিপুৱালৈ ৰৈ থাকে। আগতে শৱদেহ বাহি কৰিবলৈ বিচৰা নাছিল কিন্তু এতিয়া বৰফ বা ইনজেকচন

দি শৱদেহ সংৰক্ষণ কৰি ৰাখি শৱদেহটো বাহী কৰাত দ্বিধাবোধ নকৰা হৈছে।

সময়ৰ লগে লগে নগৰৰ পৰিসৰ বৃদ্ধি হ'ল। তাৰ প্ৰভাৱ মৃতকৰ সৎকাৰত নপৰা নহয়। আগতে চহৰ বা গাঁৱবোৰত বাঁহৰ চাঙত শৱদেহ স্থাপন কৰি চাঙখনত কান্ধত লৈ শ্মশান যাত্ৰী শ্মশান অভিমুখে যাত্ৰা কৰিছিল। এতিয়া তেনেধৰণে শৱদেহ কঢ়িওৱা কমেই দেখা যায়। এতিয়া শৱ কঢ়িয়াব লৈ বাহনৰ ব্যৱস্থা কৰা হয়। আগৰ দিনত মহিলা শ্মশানত যাত্ৰী নহৈছিল; কিন্তু এতিয়া পুৰুষৰ লগত মহিলাও শ্মশানলৈ যোৱা হৈছে। এটা অংশ মুখাগ্নিৰ সময়ত ব্ৰাহ্মণৰ দ্বাৰা মন্ত্ৰ পাঠ কৰা হয়, তাৰ বাবে ব্ৰাহ্মণক নিমন্ত্ৰণ দিয়া হৈছিল। এতিয়া তেনে হয়, কোনোবা মন্ত্ৰ জনা লোকে এই সকাম কৰিব পাৰে তাত সমাজে কোনোধৰণৰ বাধা নিক্ষেপ নকৰে।

সকলো শ্মশান যাত্ৰীয়ে নিজ নিজ ঘৰত সোমোৱাৰ আগত কিছুমান নিয়ম পালন কৰাটো অসমীয়া সমাজৰ পৰম্পৰা। যেনে: দুৱাৰ মুখত সকলে হ'লেও জুই জ্বলাই তাত শ্মশান যাত্ৰীয়ে হাত, ভৰি সেক

দিয়, তাতে মোৰা কাপোৰ-কানি তিয়াই দিয়ে তাৰ পিছত শুদ্ধি হৈ ভিতৰলৈ সোমায়। এতিয়া বহুতেই এইবোৰ একোকে নকৰা হৈছে। স্মশান যাত্ৰীক এতিয়া তাওক খুলি গন্ধ নকৰা হৈছে। তাৰলৈয়ো মৃতকৰ ঘৰৰ মানুহৰ কথা বেলেগ।

অসমীয়া সমাজত ক্ৰিয়াকাৰীয়ে কিছুমান নীতি-নিয়ম মানি চলিব লাগে। তেওঁলোকে একে বস্ত্ৰে থাকে। সেইখন কাপোৰেৰে নিৰ্দিষ্ট সময়ত স্নান কৰি কাপোৰখন গাতে শুকুৱায়। সময়ত দুখন বস্ত্ৰৰ ব্যৱহাৰ কৰা হ'ল। এখন পিন্ধে এখন গাত লয়। এতিয়া গেঞ্জী আদিও পিন্ধা হৈছে। আগতে ক্ৰিয়াকাৰী উদা ভৰিৰে আছিল। এতিয়া বহুতেৰে ভৰিত চেণ্ডেল দেখিবলৈ পাওঁ।

আগতে ক্ৰিয়াকাৰীৰ বিচনা খেৰৰ। মজিয়াত পাতি ওপৰত এখন চাদৰ। এতিয়াও মজিয়াত শয্যা ৰচনা হয়। খেৰৰ পৰিৱৰ্তে তোষক, বিচনা, চাদৰ, গাৰু আদি সকলোবোৰেই থাকে। কিন্তু এতিয়াও তোষকৰ তলত কেইডালমান খেৰ পাৰি আচাৰ নিয়ম ৰক্ষা কৰা দেখা যায়।

মজিয়াত কুশাসন পাৰি তাত চেলেপটা বাটি বহি কলপাতত হবিষ্যান্ন খোৱা

ধোৱাৰেই পৰম্পৰা । এই ক্ষেত্ৰত কিছু পৰিৱৰ্তন হৈ আহিছে বুলিছে। মৃতকৰ ঘৰত খবৰ কৰিবলৈ যাওঁতে সাধাৰণতে কোনেও ভগা হাতে নাযায়। ফল-মূল বুট মগু আদি লৈ যায়। আগতে মৃতকৰ ঘৰলৈ যাচা-পিছুৰ বস্তাৰ মানুহে আনা নাছিল। কাৰণ তেওঁলোক অশৌচীয়া। পিছে বৰ্তমান তেনে লোকেও যাচা নিয়মটো এক প্ৰকাৰ প্ৰথাত পৰিণত হৈছে।

শ্ৰাদ্ধ উপলক্ষে সদা কোমল কপা-কাপোৰৰ ঢকা হৈছিল। এতিয়াও কপা-কাপোৰৰে আৱিষ্কাৰ যদিও তাৰ মাজতে ৰঙীন-কাপোৰৰ ব্যৱহাৰ চকুত পৰা নহয়। এটা সময়ত মৃতসৎকাৰ বা আতালি ভোজ ৰাতিহে পাতা হৈছিল। এতিয়া দিন ৰাতিৰ বিচাৰ নাই। নিজৰ নিজৰ সুবিধাৰ কথা, সেইদিনা মৃতকৰ উদ্দেশ্যে ভাত এসাজ আগবঢ়োৱা নিয়ম। ভোজ বন্ধু বা বাৰী-চুবুৰীত হৈ আহা হৈছিল। এতিয়া বাৰী চুলিবলৈ একো নোহোৱা হৈছে। কইতো যাদৰ-

ওপৰত ভোজ্য বস্তু থৈ দিয়ে। চৰাই চিৰিকটিয়ে খায়। কোনোৱে গৰুক খুৱায়। আন কিছুমানে ভিখাৰীক মাৰবলৈ দিয়ে। প্ৰতিমা মাসে নিয়মতে ৰক্ষা কৰে।

সূক্ষ্ম ভাৱে নিৰীক্ষণ কৰিলে নানা দিশত এনে বিবিধ পৰিৱৰ্তন পৰিলক্ষিত হয়। পৰিৱৰ্তনৰ কাৰণবোৰ নিৰ্ণয় কৰি বিশ্লেষণ কৰিব পাৰি। বৰ্তমানৰ নগৰ চুবুৰীয়েই নহয় গাওঁ-অঞ্চলৰ পৰিৱেশতো প্ৰাচীন পৰম্পৰা মানি চলা সংস্কাৰ নোহোৱা হৈ আহিছে।

৮.০০ উপসংহাৰ

'অসমীয়া সমাজৰ জন্ম, বিবাহ, মৃত্যুৰ লোকাচাৰ আৰু বিশ্বাসৰ প্ৰভাৱ: দলুৱা গাঁৱৰ বিশেষ উল্লেখন সহ' শীৰ্ষক গৱেষণা পত্ৰত বিভিন্ন বিষয়ৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হৈছে।

'অসমীয়া সমাজৰ জন্ম, বিবাহ, মৃত্যুৰ লোকাচাৰ আৰু বিশ্বাসৰ প্ৰভাৱ: দলুৱা গাঁৱৰ বিশেষ উল্লেখন সহ' শীৰ্ষক গৱেষণামূলক আলোচনাক সৰ্বমুঠ সাতটা অধ্যায়ত বিভাজন কৰা হৈছে। প্ৰকল্পটোৰ প্ৰথম অধ্যায়ত অৱতাৰণিকা, অধ্যয়নৰ বিষয়বস্তু, ক্ষেত্ৰ, লক্ষ্য আৰু উদ্দেশ্য, প্ৰয়োজনীয়তা পূৰ্বকৃত অধ্যয়ন, অধ্যয়নৰ পদ্ধতি, সময় আদিৰ ওপৰত আলোকপাত কৰা হৈছে।

দ্বিতীয় অধ্যায়ত গাঁওখনৰ বিষয়ে মূলমূল বিৱৰণ এটি আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়ত সংস্কৃতিৰ স্বৰূপ, সংজ্ঞা, লোক-সংস্কৃতি, সংস্কৃতিৰ শ্ৰেণী বিভাজনৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ত লোকাচাৰ সম্বন্ধে আমাৰ গাঁৱত কেনেধৰণৰ সম্পৰ্ক আছে সেই বিষয়ে কিছু আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত আমাৰ গাঁওঁত জন্ম সম্পৰ্কে কেনে ধৰণৰ লোকাচাৰ পালন কৰা হয় আৰু সময়ৰ লগতে সমাজৰ বিভিন্ন পৰিৱৰ্তনৰ লগে লগে পৰম্পৰাগত নীতি-নিয়মবোৰ হেৰাই যাব ধৰিছে লগতে নতুনত্বৰ কিছু আভাস দাঙি ধৰা হৈছে।

ষষ্ঠ, সপ্তম অধ্যায়ত অসমীয়া সমাজৰ বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ লগতে তাৰ পৰিৱৰ্তনৰ কিছু কথা আলোচনা কৰা হৈছে।

অসমীয়া সমাজৰ জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰৰ যথেষ্ট পৰিৱৰ্তন আহিছে। আমাৰ দলুৰা গাঁৱতো যথেষ্ট পৰিৱৰ্তন হোৱা দেখা গৈছে। কিন্তু সেই পৰিৱৰ্তনৰ মাজতেই মূলৰ বৈশিষ্ট্য ও অক্ষুণ্ণ আছে। লোকাচাৰৰ মাজেৰে এটা জাতিৰ পৰিচয় বহন কৰে। অসমীয়া সমাজৰ এই লোকাচাৰ সমূহত বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত যথেষ্ট পৰিৱৰ্তন আহিছে। তথাপিতো তাৰ মাজতে এই বিলাক সংৰক্ষণ কৰাৰ আৱশ্যকতা আছে। নতুন প্ৰজন্মই এই বিষয়ত আগ্ৰহী হ'লে এই লোকাচাৰ সমূহ সদায় অক্ষুণ্ণ থাকিব। তাৰ বাবে সকলোৱে সচেতন হোৱা উচিত, তেতিয়াহে আমাৰ সমাজত লোকাচাৰৰ মৌলিক সকলো ধৰণৰ বৈশিষ্ট্য বিলাক অক্ষুণ্ণ থাকিব।

# সহায়ক গ্ৰন্থপঞ্জী :


অসমীয়া

কায়স্থ পুতলী (সম্পা) : অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস
প্ৰথম প্ৰকাশ: এপ্ৰিল, ২০১১
প্ৰকাশক: অলোক অধিকাৰী
এন.এ পাব্লিকেশ্বনছ

গগৈ চাৰু লোকেশ্বৰ : অসমৰ লোক-সংস্কৃতি
প্ৰথমপ্ৰকাশ: ডিচেম্বৰ, ২০০০

গোস্বামী নন্দিতা (সম্পা) : সাঞ্জীৱনী
প্ৰথম প্ৰকাশ: নৱেম্বৰ, ২০২০
প্ৰকাশক: কাজিৰঙা প্ৰিন্টিং
২১৩৮, চানমাৰি, গুৱাহাটী-২১

ডেকা লীনা (সম্পা) : পৰম্পৰা আৰু সংস্কাৰ: অসমীয়া নাৰী
প্ৰথম প্ৰকাশ: অক্টোবৰ ২০১৬

দাস হৰেন মোহন : অসমৰ সৌষ্ঠৱ- অসমীয়া সংস্কৃতি

প্ৰথম প্ৰকাশ: ডিচেম্বৰ ২০০৬
প্ৰকাশক: ভাস্কৰ দত্ত বৰুৱা
লয়াৰ্ছ বুক ষ্টল

দাস নাৰায়ণ (সম্পা) • অসমীয়া সংস্কৃতিৰ কণিকা
পৰমানন্দ ৰাজবংশী (সম্পা) • প্ৰথম প্ৰকাশ: মে, ১৯৯৬
অসমীয়া জাতি আৰু সংস্কৃতি
প্ৰকাশ: অক্টোবৰ, ২০০৬

বৰ্মন গীতা • নলবাৰী জিলাৰ ধৰ্মীয় আৰু সাংস্কৃতিক বৈচিত্ৰ্য
প্ৰথম প্ৰকাশ: জানুৱাৰী, ২০১৬

মহন্ত সমীন্দ্ৰ নাথ (সম্পা) : নলবাৰীৰ স্থাপাশিল্প
তালুকদাৰ সমৰ প্ৰকাশ: ২০১৭

শৰ্মা নবীনচন্দ্ৰ : অসমীয়া লোকসংস্কৃতিৰ আভাস
প্ৰকাশক: বীণা লাইব্ৰেৰী
পানবজাৰ গুৱাহাটী

<u>আলোচনী</u>

মজুমদাৰ দুলেন (সম্পা) : সাতসপা
প্ৰকাশ: ৬ নবেম্বৰ ২০২২

# সংবাদ দাতা / দাত্ৰী

| নামঃ | বয়সঃ |
|---|---|
| ১। শ্ৰী - মহেশ তালুকদাৰ - | ৫০ বছৰ - |
| ২। শ্ৰী - বিশ্বজিৎ কলিতা - | ২৯ বছৰ - |
| ৩। শ্ৰী প্ৰাঞ্জল কলিতা - | ৪৫ বছৰ - |
| ৪। শ্ৰী - কৰবী কলিতা | ৩৫ বছৰ - |
| ৫। শ্ৰী - জোনমালা কলিতা - | ६৫ বছৰ - |

# আলোক চিত্ৰ



১ নং চিত্ৰ: শ্ৰী শ্ৰী হৰিমন্দিৰ, দলগুৰা




দলগুৰা গাঁৱৰ ঐতিহাসিক ৰাজধৰা পুখুৰী
২ নং চিত্ৰ

৩ নং চিত্র



বাবাধাম আশ্রম



শ্রী শ্রী গোপাল মাল, বলা পুষ্করিণীর

৪ নং চিত্র



৩ নং চিত্ৰঃ অন্নপ্ৰাসন্ন



৫ নং চিত্ৰঃ জোৰোণ

